**‘অন্ধবিশ্বাস বিৰোধী দিৱস’ হ’ব ১৩ মে’ত**

ই-সংবাদ, ২ জানুৱাৰীঃ ওৰে জীৱন ডাইনী হত্যা আৰু অন্ধবিশ্বাসৰ বিৰুদ্ধে যুঁজ দিয়া সাহসী নাৰী ৬ পৃষ্ঠাত চাওক



www.newsnextone.com

# e সংবাদ



ROYAL CONSTRUCTION

MANUFACTURER OF

CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES

FACTORY ADDRESS

TITKURI, KAMARGAON, RANGIA, KAMRUP(R)

CALL: +91 88 76 99 50 95, +91 99 57 41 80 39



FRIDAY, JANUARY 03, 2025 ■ শুকুৰবাৰ, ১৮ পুহ, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ৯ Guwahati, Assam ।। মূল্যঃ এটকা




মহানগৰীৰ খাৰঘূলিত বৃহস্পতিবাৰৰ ‘জলসন্ত্ৰাস’ৰ পিছৰ ধ্বংসাৱশেষৰ দৃশ্য

## শংকিত সমাজ

■ ড০ দীনেশ বৈশ্য

দেশ-কাল-সমাজ



আকৌ এটা নতুন বছৰ আহিল। এটা বছৰ অতীত হৈ গ’ল। ৩১ ডিচেম্বৰটো আহিলে আজিকালি মনটো বেয়া লাগে। বেয়া লগাৰ ঘাই শেষাংশ ২ পৃষ্ঠাত

**লালুৰ ইংগিত, ৰহস্যৰ হাঁহি নীতিশৰ**

## বিহাৰত আকৌ ওলট-পালটৰ সম্ভাৱনা!



পাটনা, ২ জানুৱাৰীঃ আকৌ মিত্ৰতা সলনি কৰিব পাৰে পল্টুৰাম নীতিশ কুমাৰে। বিহাৰৰ ৰাজনীতিৰ দুই তিক্ত প্ৰতিদ্বন্দ্বী লালু প্ৰসাদ যাদৱ আৰু নীতিশ ৩ পৃষ্ঠাত চাওক

**বিভাগক দোষ দিব নোৱাৰি বুলি দাবী মন্ত্ৰী জয়ন্তমল্লৰ**

# খাৰঘূলিত আকৌ পানীৰ পাইপ বিস্ফোৰণ

### ক্ষতিপূৰণৰ নামত কণা হাঁহক পতান



ই-সংবাদ, ২ জানুৱাৰীঃ মহানগৰীত হিমন্ত বিশ্ব শৰ্মা চৰকাৰৰ দিনত অব্যাহত আছে ‘জলসন্ত্ৰাস’। বিজেপিৰ ৮ বছৰীয়া চৰকাৰখনৰ মুখ্যমন্ত্ৰী, মন্ত্ৰী, বিধায়কক ৩ পৃষ্ঠাত চাওক



২০০ ফুট উচ্চতালৈ এনেদৰে উঠিল পানীৰ ফোৱাৰা, বৃহস্পতিবাৰে

## তদন্তৰ দাবী জনালে বিৰোধী কংগ্ৰেছ দলে

ই-সংবাদ বিশেষ, গুৱাহাটী, ২ জানুৱাৰীঃ গুৱাহাটীৰ খাৰঘুলিৰ নামঘৰ চ’কত জাইকাই বহুওৱা পানীৰ পাইপ শেষাংশ ৫ পৃষ্ঠাত

## কেৱল সৰ্বা নাছিল বৈঠকত

ই-সংবাদ, ২ জানুৱাৰীঃ ২০২৬ চনৰ বিধানসভা নিৰ্বাচনৰ দিন চমু চাপি আহিছে। তাতেই আকৌ সন্মুখত পঞ্চায়ত ৬ পৃষ্ঠাত চাওক

**জামুগুৰিহাটত ‘ইউছ-এণ্ড-থ্ৰ’**

## কুকুৰে ছাগলীক কামোৰাত বিজেপিৰ কৰ্মীক নিলে ধৰি



ই-সংবাদ, ২ জানুৱাৰীঃ কেন্দ্ৰত ১১ বছৰ আৰু ৰাজ্যত ৮ বছৰ ধৰি শাসন কৰি আছে বিজেপিয়ে। শাসনৰ সোৱাদত মত্ত বিজেপিৰ ৪ পৃষ্ঠাত চাওক



## ঢেকীয়াজুলিত দুৰ্ঘটনাত নিহত যুৱ সাংবাদিক

ই-সংবাদ, ২ জানুৱাৰীঃ বছৰৰ দ্বিতীয় দিনটোত ৰাজপথত দাউদাউকৈ শেষাংশ ৪ পৃষ্ঠা

## তেজ দিম, মাটি নিদিও শ্ল’গানেৰে উত্তাল জাগীৰোড



**মহানগৰ সম্প্ৰসাৰণ!**

ই-সংবাদ, জাগীৰোড, ২ জানুৱাৰীঃ তেজ দিম, মাটি নিদিওঁ। এই শ্ল’গানেৰে জাগীৰোডত উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে শেষাংশ ২ পৃষ্ঠাত

## দিল্লীৰ হোটেলৰ পৰা ১১ বাংলাদেশী লোকক বিতাড়ন

নতুন দিল্লী, ২ জানুৱাৰীঃ ভাৰতত অনুপ্ৰৱেশ কৰা অবৈধ বাংলাদেশীক চিনাক্ত কৰি স্বদেশলৈ বিতাড়নৰ প্ৰক্ৰিয়া নতুন বছৰটোত তীব্ৰতৰ কৰি তুলিছে দিল্লী শেষাংশ ২ পৃষ্ঠাত

**ভাষা-সাহিত্যৰ অনুষ্ঠানেৰে মুখৰ খানাপাৰা**

## গ্ৰন্থমেলাত সাতদিনত চাৰি কোটিৰ কিতাপ বিক্ৰী



ই-সংবাদ, গুৱাহাটী, ২ জানুৱাৰীঃ পুথিপ্ৰেমীৰ সোঁত, লেখক-পাঠকৰ আড্ডাই উমাল কৰি তুলিছে অসম প্ৰকাশন পৰিষদ শেষাংশ ৫ পৃষ্ঠাত

## সহজ হ’ব তিনি বাহিনীৰ যোগাযোগ

নতুন দিল্লী, ২ জানুৱাৰীঃ ভাৰতৰ সশস্ত্ৰ বাহিনীৰ সমন্বয় আৰু যৌথ অভিযানত এক নতুন মাত্ৰা সংযোজন কৰিছে কেন্দ্ৰীয় চৰকাৰে। শেষাংশ ৬ পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# শংকিত সমাজ

কাৰণ হ'ল জীৱনৰ হিচাপৰ পৰা এটা বছৰ গুছি গ'ল। এটা বছৰ গুছি গ'ল মানে এটা বছৰ কমি গ'ল। এতিয়া মনলৈ সেই দুশ্চিন্তা আহে আকৌ এটা একত্ৰিশ ডিচেম্বৰ পাওঁ নে নাপাওঁ। কিয় জানো বহুত মানুহে একত্ৰিশ ডিচেম্বৰৰ সন্ধিয়া বা নিশাটো আনন্দৰে উদযাপন কৰে, লগে ভাগে এসাজ খায়। আনন্দ স্ফূৰ্তি কৰে। পিছদিনা বাতৰি কাকতত হিচাপ ওলায় গুৱাহাটী মহানগৰীত বা ৰাজ্যখনত কিমান মদ বিক্ৰী হ'ল। একত্ৰিশ ডিচেম্বৰত মদ খাই মাইকত গান বজাই ওৰে ৰাতি হুলস্থুল কৰাটো এটা স্বাভাৱিক কথা। এইবাৰ এক জানুৱাৰীত এজন বন্ধুৱে ক'লে এইবাৰ হেনো গুৱাহাটীত নিশা বৰ বেছি হুলস্থুল হোৱা নাই। এক তাৰিখৰ কাকতত ৰাতি মদ খাই এক্সিডেন্ট হৈ মৃত্যু হোৱা খবৰ পোৱা নাই। কিন্তু বছৰটোৰ শেষৰ ফালে ভালেমান হত্যাৰ বাতৰি ওলাইছে। পুত্ৰই পিতৃ-মাতৃক হত্যা কৰিছে। ভাতৃয়ে ভাতৃক হত্যা কৰিছে। পিতৃ-মাতৃয়ে পুত্ৰ-কন্যাক হত্যা কৰিছে। বিভিন্ন ঠাইত বিভিন্ন কাৰণত ব্যাপক হত্যা আৰু আত্ম হত্যা হৈছে। এজন বন্ধুৱে ক'লে এই একত্ৰিশ ডিচেম্বৰত নিশা হুলস্থুল নোহোৱা আৰু হত্যা-আত্মহত্যা হোৱাৰ এক যোগসূত্ৰ আছে। মই আচৰিত হৈ বন্ধুক সুধিলো একত্ৰিশ ডিচেম্বৰত স্ফূৰ্তি কমকৈ কৰা আৰু হত্যা-আত্মহত্যাৰ কি সম্পৰ্ক আছে? বন্ধুৱে ক'লে সকলো কথাৰ মূল কথা হ'ল অৰ্থ। হাতত টকা নাথাকিল ফূৰ্তি কৰিব নোৱাৰি। মানুহৰ ক্ৰয় ক্ষমতা কমি গৈছে। অভূতপূৰ্ব মূল্য বৃদ্ধিৰ ফলত মানুহৰ মাজত আনন্দ ফূৰ্তি নোহোৱা হৈছে। আনহাতে মূল্যবৃদ্ধিৰ ফলত মানুহৰ চলিব পৰা অৱস্থা নোহোৱা হৈছে। অৰ্থনৈতিক বিপৰ্যয়ৰ ফলত মানুহৰ হিতাহিত জ্ঞান কমি আহিছে। বজাৰমুখী সমাজখনত মানুহৰ মনবোৰো বজৰুৱা হৈছে। মূল্যবোধ মানৱতা কমি আহিছে। মানুহে মানসিক ভাৰসাম্য হেৰুৱাইছে যাৰ ফলত মানুহৰ চৰিত্ৰ বৰ্বৰ হৈছে। মানুহে মানুহক হত্যা কৰিবলৈ ভয় নোখোৱা হৈছে। বন্ধুৱে আকৌ ক'লে মানুহৰ এই মূল্যবোধহীনতাৰ প্ৰধান কাৰণ হ'ল ৰাজনৈতিক ক্ষেত্ৰত মূল্যবোধ একেবাৰে নাইকিয়া হৈ যোৱাটো। এতিয়া শাসন ব্যৱস্থা চলোৱা সকলে ধাৰ কৰি ঘিঁউ খোৱাৰ মনোভাৱেৰে দেশ চলাই আছে। দেশৰ মানুহৰ উপাৰ্জন কমিছে, কিন্তু খৰছ কমা নাই। ৰাজনৈতিক নেতাসকলে তথাকথিত উন্নয়নৰ চমক দেখুৱাবলৈ ঋণ কৰি উপকৰুৱা উন্নয়নৰ কাম কৰিছে। মানুহৰ বুনিয়াদী কথাবোৰক আওকাণ কৰিছে। গুৱাহাটী মহানগৰীৰ জনসাধাৰণে কৈ আছে আমাক ফ্লাইঅভাৰৰ বোজা নালাগে, আমাৰ ওপৰত পৰা মূল্যবৃদ্ধিৰ বোজা কমোৱা। ৰাইজে কি বিচাৰিছে তালৈ চৰকাৰৰ ভ্ৰূক্ষেপ নাই। চৰকাৰে ঋণ লৈ ফ্লাইঅভাৰ সাজিছে। গুৱাহাটী লুইতৰ পাৰত অৱস্থিত। গুৱাহাটী মহানগৰীৰ মানুহ কৃত্ৰিম বানত জৰ্জৰিত। চাৰিওফালে পানী থকা গুৱাহাটী মহানগৰীৰ মানুহে আজিও পানী কিনি খায়। কিছুমান দুখীয়া পৰিয়ালত উপাৰ্জনৰ আধা পইচা পানী কিনোতে যায়। গুৱাহাটীৰ বহুত দুখীয়া মানুহে লেতেৰা পানী খায়। ৰাজনৈতিক নেতাসকলৰ এইবোৰ কথা ভাবিবলৈ সময় নাই। তেওঁলোকৰ চকু ভোটাৰৰ ওপৰত। এতিয়া মানুহবোৰ মানুহ নহয়। মানুহবোৰ ভোটাৰ। ভোটাৰৰ মন জয় কৰাত ব্যস্ত ৰাজনৈতিক নেতাসকল।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# তেজ দিম, মাটি নিদিও শ্ল'গানেৰে

জনজাতীয় ৰাইজে। জাগীৰোডৰ ঐতিহাসিক গোভা ৰাজ্যক সামৰি মহানগৰ সম্প্ৰসাৰণ আৰু গোভাৰ বিস্তৃত অঞ্চলৰ প্ৰায় ৬০০ বিঘা ভূমিত ভাৰতীয় বায়ু সেনাৰ বিশাল অস্ত্ৰ ভাণ্ডাৰ নিৰ্মাণৰ বিৰোধিতাৰে এই প্ৰতিবাদ সাব্যস্ত কৰে। সদৌ তিৱা ছাত্ৰ সন্থাৰ লগতে তিৱা যুৱ ছাত্ৰ পৰিষদ, ঐতিহাসিক তিৱা ৰাজদৰবাৰ, তিৱা সাংস্কৃতিক সমাজ, মৰিগাঁও জিলা ট্ৰাইবেল সংঘ, ডিমৰীয়া জিলা ট্ৰাইবেল সংঘ, মৰিগাঁও জিলা বড়ো ছাত্ৰ সন্থা, তিৱা মহিলা সন্থা, ডিমৰীয়া জিলা ইউ বি পি এফৰ সহযোগত জাগীৰোডৰ মাজমজিয়াত বৃহস্পতিবাৰে ৰূপায়ণ হয় গণধৰ্ণা কাৰ্যসূচী। এই ধৰ্ণা কাৰ্যসূচীস্থলীৰ পৰাই পেছাত কৃষিজীৱী তিৱা জনজাতীয় লোকৰ কৃষিভূমিত কোনোপধ্যেই বায়ুসেনাৰ অস্ত্ৰ ভাণ্ডাৰ নিৰ্মাণ কৰিবলৈ দিয়া নহ'ব বুলি সকীয়াই দিয়ে প্ৰতিবাদত অংশগ্ৰহণ কৰা স্থানীয় লোকে। তদুপৰি ট্ৰাইবেল বেল্ট ব্লকৰ অধীনত সংৰক্ষিত এই অঞ্চলত আছে প্ৰাচীন গোভা ৰাজ্যৰ ঐতিহ্য। ইয়াত অৱস্থিত গোভা ৰজাৰ অৰম বিলত প্ৰতিবছৰে জোনবিল মেলাৰ সময়ত অনুষ্ঠিত হয় পৰম্পৰাগত সমূহীয়া মাছ ধৰা পৰ্ব। সেয়ে নিজৰ ভূমি আৰু প্ৰাচীন গোভা ৰাজ্যৰ ঐতিহ্য ৰক্ষাৰ স্বাৰ্থত জাতীয় সংগঠনৰ নেতৃত্বত এইদৰে ওলাই আহিছে ৰাইজ। হাতে হাতে বিভিন্ন পোষ্টাৰ লৈ তিনি শতাধিক পুৰুষ-মহিলাই প্ৰতিবাদী শ্ল'গানেৰে উত্তাল কৰে পৰিৱেশ। সকলোৰে এটাই কথা- তেজ দিম, কিন্তু মাটি নিদিওঁ। চৰকাৰে এই হঠকাৰী সিদ্ধান্ত প্ৰত্যাহাৰ নকৰিলে আগন্তুক দিনত মধ্য অসম জ্বলিব বুলিও সকীয়াই দিয়ে সদৌ তিৱা ছাত্ৰ সন্থা আৰু আন সহযোগী সংগঠনসমূহে। যদি তেনে পৰিস্থিতিৰ উদ্ভৱ হয় তাৰ বাবে অসম চৰকাৰ জগৰীয়া হ'ব বুলি প্ৰতিবাদকাৰীয়ে উল্লেখ কৰে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# দিল্লীৰ হোটেলৰ পৰা ১১ বাংলাদেশী

আৰক্ষীয়ে। শেহতীয়াকৈ দক্ষিণ-পশ্চিম দিল্লীৰ এখন হোটেলৰ পৰা আৰক্ষীয়ে আটক কৰা এঘাৰজন বাংলাদেশী নাগৰিকক বিতাড়ন কৰা হৈছে স্বদেশলৈ। দিল্লীৰ উপ-ৰাজ্যপালৰ নিৰ্দেশত অবৈধ অনুপ্ৰৱেশকাৰীৰ বিৰুদ্ধে এই অভিযান অধিক ত্বৰান্বিত কৰি তোলা হৈছে। দিল্লী আৰক্ষীয়ে প্ৰকাশ কৰা মতে, শেহতীয়াকৈ দক্ষিণ-পশ্চিম দিল্লীৰ এখন হোটেলত বাহৰ পাতি থকা অৱস্থাত আটক কৰা হয় মহম্মদ ছিমুল (৩৬), মহম্মদ আলী পৰান (২৪), ছিহাব হোছেইন (২১), মহম্মদ জাকিৰ হোছনে বিপ্লব (৩৬), আনোৱাৰ হোছেইন (২৫), মাছুদুল আলম অতুল (২৫), জাকাৰিয়া আহমেদ (২৬), অৰ্পন কুমাৰ চন্দ্ৰ (৩৮), মহম্মদ ৰফিকুল (৪৮), মিজানুদ্দিন (২১) আৰু আৰিফুৰ ৰেহমান আক্ৰাম (২৫) নামৰ বাংলাদেশী নাগৰিক কেইজনক। উল্লেখ্য যে, ইয়াৰ পূৰ্বে বছৰটোৰ শেষত অৰ্থাৎ ২৭ ডিচেম্বৰত দিল্লী আৰক্ষীয়ে পাঁচগৰাকী মহিলাসহ সাতজন বাংলাদেশী নাগৰিকক আটক কৰি ফৰেইনাৰ্ছ ৰিজিঅ'নেল ৰেজিষ্ট্ৰেচন অফিচৰ জৰিয়তে বাংলাদেশলৈ বিতাড়ন কৰে। পিছদিনা অৰ্থাৎ ২৮ ডিচেম্বৰতো পত্নী আৰু ছয় সন্তানৰ সৈতে ভাৰতত অবৈধভাৱে প্ৰৱেশ কৰা জাহাংগীৰ নামৰ এজনক সপৰিয়ালে আটক কৰিবলৈ সক্ষম হয় দিল্লী আৰক্ষী। ধৃত জাহাংগীৰৰ স্বীকাৰোক্তি অনুসৰি তেওঁ প্ৰথমে অকলে ভাৰতত অবৈধভাৱে প্ৰৱেশ কৰে আৰু বাংলাদেশৰ নথি-পত্ৰ নষ্ট কৰে। ইয়াৰ পিছতে পৰিয়ালৰ লোককো লগত লৈ আহে। ভাৰতত প্ৰৱেশৰ পিছৰে পৰাই দিল্লীৰ উপকণ্ঠ অঞ্চলৰ এখন বস্তিত নিজৰ পৰিচয় লুকুৱাই বাস কৰি আহিছিল বুলিও স্বীকাৰ কৰে বাংলাদেশী নাগৰিক কেইজনে। বৰ্তমান দিল্লীৰ বিভিন্ন অঞ্চলত বাংলাদেশী নাগৰিকৰ সন্ধানত আৰক্ষীয়ে অভিযান চলাই আছে। শেহতীয়াকৈ বাংলাদেশত অব্যাহত থকা সামাজিক আৰু ৰাজনৈতিক অস্থিৰতাৰ পৰিপ্ৰেক্ষিতত এই সময়ত বাংলাদেশৰ পৰা ভাৰতত অনুপ্ৰৱেশৰ ঘটনা অধিক বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে।

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS : TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

প্ৰথম পৃষ্ঠাৰ পৰা...

# খাৰঘূলিত আকৌ পানীৰ পাইপ

ধৰি সকলোৱে ফোপজহী মৰা কথা-বতৰা অব্যাহত ৰাখিছে যদিও কামত যে সোপাটিলা সেই কথা বাৰে বাৰে গুৱাহাটীত পানীৰ পাইপ ফুটি প্ৰমাণিত হৈ আহিছে। বাৰে বাৰে পানী যোগান ধৰিবলৈ বহুওৱা পাইপ ফুটি মহানগৰীত সৃষ্টি হৈছে জলসন্ত্ৰাসৰ। কিন্তু ইয়াৰ পিছতো জনতাৰ জীৱন আৰু সম্পত্তিৰ সুৰক্ষা দিবলৈ অপৰাগ নিজকে মই বৰ বুলি ভবা হিমন্ত চৰকাৰ আৰু ইয়াৰ সৈতে জড়িত পালি-পহৰীয়া। বাৰে বাৰে পানীৰ পাইপ ফুটি মানুহৰ ধন-জনৰ ক্ষতি হোৱাৰ পিছতো চৰকাৰ যে মানুহৰ জীৱন আৰু সম্পত্তিৰ সুৰক্ষাক লৈ ছিৰিয়াছ নহয়, সেয়া পুনৰ এবাৰ প্ৰমাণিত হ'ল নতুন বছৰৰ আৰম্ভণিতে। ইংৰাজী নতুন বছৰৰ দ্বিতীয় দিনটোতে মহানগৰবাসীৰ জীৱন আৰু সম্পত্তিক লৈ ল'ৰা ধেমালি কৰা দেখা গ'ল হিমন্ত চৰকাৰক। ৰাজ্যবাসীক নৱবৰ্ষৰ শুভেচ্ছা জনাই প্ৰথম দিনটোত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই অযুত সংকল্প ব্যক্ত কৰাৰ ২৪ ঘণ্টা নৌহওঁতেই পানীৰ পাইপ ফুটি জলপ্ৰলয়ৰ সৃষ্টি হ'ল মহানগৰীৰ মাজমজিয়াত। বৃহস্পতিবাৰে খাৰঘূলিৰ জলপ্ৰলয়ত ধ্বংস হ'ল কুৰিটাতকৈও অধিক পৰিয়ালৰ ঘৰ-সম্পত্তি। এইখন চৰকাৰৰ কাৰ্যকালত সংঘটিত প্ৰায় ডজন জল বিস্ফোৰণৰ পিছত এনে ঘটনা এতিয়া যেন সাধাৰণ ঘটনা হৈ পৰিছে মহানগৰবাসীৰ বাবে। আজি গুৱাহাটীৰ খাৰঘূলিৰ নামঘৰ চ'কত জাইকাই পোতা পাইপ বিস্ফোৰিত হৈ কুৰিটাকৈ পৰিয়ালৰ ঘৰ-দুৱাৰ ধ্বংস হৈ পৰে। জাইকাই পোতা জল ব'ৰ্ডৰ পানী যোগানৰ পাইপ বিস্ফোৰণ হৈ কেইবাগৰাকী লোকো আহত হয়। এই পাইপ বিস্ফোৰণৰ পিছতে পানীত উটি গৈ কিছু সময় ধৰি নিৰুদ্দেশ হৈ থাকে এটি কেঁচুৱা। নিমিষতে ৰাজপথ ভৰি পৰা পানীৰ মাজৰ পৰা অৱশেষত যেনিবা কণমানিটিৰ জীৱন ৰক্ষা কৰে মাতৃৰ মমতাই। আজিৰ পাইপ বিস্ফোৰণত মুঠ ২১ টা পৰিয়াল গৃহহাৰা হয়। গৃহহাৰা পৰিয়ালৰ ঘৰ-দুৱাৰ বিধ্বস্ত হোৱাৰ লগতে ঘৰৰ সকলো সমগ্ৰীয়েই নষ্ট হয়। এই ভয়ংকৰ কাণ্ডত ক্ষতিগ্ৰস্ত হোৱা ২১টা পৰিয়ালৰ মুঠ জনসংখ্যা হৈছে ১১৩ জন। ইয়াৰে ৪৬গৰাকী পুৰুষ আৰু ৫৫ গৰাকী মহিলা। ৬টা পৰিয়ালৰ সম্পূৰ্ণৰূপে ঘৰ-দুৱাৰ ধ্বংস হয়। জল বিস্ফোৰণত নিঃশেষ হৈ যায় পাঁচখন দোকানো। একে সময়তে এখন অটো, চাৰিখন স্কুটি, এখন বাইক আৰু চাৰিখন ই-ৰিক্সাৰো ক্ষতি হয় বৃহস্পতিবাৰৰ এই জল সন্ত্ৰাসত। জানিব পৰা মতে, দুপৰীয়া খাৰঘূলিৰ নামঘৰ চ'কত মানুহৰ ব্যস্ততাৰ মাজতে হঠাৎ বিস্ফোৰণ ঘটে পানীৰ পাইপ। পানীৰ ফোৱাৰা সত্তৰ ফুট পৰ্যন্ত ওপৰলৈ উঠাত চৌদিশে হাহাকাৰ লাগে। পানী বিস্ফোৰিত হোৱাৰ গতি দেখি মানুহ আতংকিত হয়। সেই ঠাইৰ পৰা মানুহবোৰে পলায়ন কৰে আৰু নিজৰ প্ৰাণ ৰক্ষা কৰিবলৈ প্ৰয়াস কৰে। একাংশ লোকে সন্তানক বুকুৰ মাজত সোমাই লৈ নিজ ঘৰৰ বিছনাৰ তলত সোমাই পৰে। তৎমুহূৰ্ততে পানীৰ ঢল বৈ যোৱাত কেবাটাও পৰিয়ালৰ ঘৰৰ সামগ্ৰী উটুৱাই নিবলৈ ধৰে। পানীৰ সোঁত যিখিনি ঠাইৰে বৈ যায় সেই দিশত গাত হৈ পৰাও দেখা গৈছে। ৭০-৮০ ফুট ওপৰলৈ উঠা পানীৰ ফোৱাৰাৰ তীব্ৰ সোঁতে উটুৱাই নিয়ে অঞ্চলটোৰ কেইবাটাও ঘৰ। নিমিষতে পানীৰ প্ৰচণ্ড ঢৌৱে খাৰঘূলিৰ নামঘৰ চ'ক এলেকাৰ বিস্তৰ ক্ষতি সাধন কৰে। পানীৰ প্ৰচণ্ড সোঁতত উটি গৈ কেইবাগৰাকী লোক আহতও হয়। এগৰাকী ভুক্তভোগী মহিলাই সাংবাদিকৰ কেমেৰাৰ সন্মুখত এই ভয়ংকৰ অভিজ্ঞতাৰ কথা বৰ্ণনা কৰি কয়, "হঠাতে দেখিলো পানী উৰিবলৈ আৰম্ভ কৰিছে। ক'তো থাকিবলৈ জাগা নাই। উপায় নাপায় আমি বিছনাৰ তলত লুকাইছো। ওপৰৰ পৰা শিলবোৰ পৰি আছে। টিনবোৰ ফুটিবলৈ ধৰাত আমি আকৌ বেলেগ এটা ঘৰৰ বিছনাৰ তলত শিশুটোক লৈ সোমাই আছিলো। আমাৰ সন্মুখতে মানুহৰ ঘৰ উটুৱাই নিছে।" আজিৰ এই পৰিস্থিতিৰ ভুক্তভোগী আন এগৰাকী মহিলাই চকুলো টুকি কয়, "মোৰ ঘৰৰ একোৱেই বস্তু নাই। পানী যে খাম সেই গিলাচটোও নাই। মোৰ ঘৰ-দেৱাল সকলো লৈ গ'ল। মই এতিয়া কি কৰিম? একো কৰিব নোৱাৰো।" অন্য এগৰাকী মহিলাই বিষাদৰ হুমুনিয়াহ কাঢ়ি কয়, "মোৰ পিন্ধিবলৈকে কাপোৰ নোহোৱা হ'ল। তিনিখন ৰিক্সা চলাবলৈ দি খাই আছিলো। তিনিওখন ৰিক্সাও ধ্বংস হৈ গ'ল। ঘৰত এটা টেমাও নাই। সব পানীয়ে উটুৱাই লৈ গ'ল।" জাইকাৰ পানীৰ পাইপ বিস্ফোৰণৰ পিছতেই অঞ্চলবাসীৰ মাজত সৃষ্টি হৈছে হাহাকাৰময় পৰিস্থিতিৰ। এনে ঘটনাৰ যাতে পুনৰাবৃত্তি নঘটে, তাৰ বাবে সজোৰে দাবী উত্থাপন কৰিছে ৰাইজে। এই জলসন্ত্ৰাসৰ পিছতে সৰ্বস্ব হেৰুৱাই অস্থিৰ হৈ পৰিছে ভুক্তভোগী পৰিয়ালসকল। হাড় কঁপোৱা জাৰত গাত ল'বলৈ কাপোৰ এখনো নথকাত তেওঁলোকে নিশাটো কিদৰে পাৰ কৰিব তাক লৈ উদ্বিগ্ন হৈ পৰিছে। একাংশ লোকে নিশা থাকিব পৰাৰ ব্যৱস্থা কৰিবলৈকো চৰকাৰক আহ্বান জনাইছে। উল্লেখ্য যে, পাইপ বিস্ফোৰণ ঘটাৰ ঠাইতে আছিল পানী উত্তোলন কৰা আৰু পৰিশোধন কৰা প্ৰকল্প। আধা ঘণ্টালৈকে পাম্প বন্ধ নকৰাত পানীৰ ফোৱাৰা বন্ধ হোৱা নাছিল। স্থানীয় এগৰাকী মহিলাই বলপূৰ্বকভাৱে পানীৰ পাম্প বন্ধ কৰাত জল বিস্ফোৰণ স্তব্ধ হয়। ইফালে ঘটনাস্থলীত যথেষ্ট পলমকৈ উপস্থিত হয় প্ৰকল্প সঞ্চালক পল্লৱ গোপাল ঝাসহ এটা দল। প্ৰায় দুঘণ্টা পিছত জাইকাৰ বিষয়া, জল ব'ৰ্ডৰ লোক ঘটনাস্থলীত উপস্থিত হয়। তাৰ পিছতে দলটোক জবাবদিহি কৰিবলৈ আৰম্ভ কৰে স্থানীয় ৰাইজে। পলমকৈ হ'লেও ঘটনাস্থলীত জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী জয়ন্তমল্ল বৰুৱা উপস্থিত হৈ পৰিস্থিতিৰ বুজ লৈ ক্ষতিপূৰণ দিয়াৰ কথা ঘোষণা কৰিছে। ইপিনে, চৰকাৰে ক্ষতিপূৰণ ঘোষণা কৰি কণা হাঁহক পতান দিয়াৰ দৰে কৰিছে চৰকাৰে। কথা যেন এতিয়া তেনেকুৱাই হৈছে। কুৰিটা পৰিয়ালৰ মাজৰ মাথো চাৰিটা পৰিয়ালক ১ লাখ ২০ হাজাৰকৈ টকা সাহায্য প্ৰদান কৰিছে। গুৱাহাটী মেট্ৰ'পলিটান ড্ৰিংক ৱাটাৰ এণ্ড চিৱেজ ব'ৰ্ডৰ প্ৰকল্প সঞ্চালক পল্লৱ গোপাল ঝাই এই ক্ষতিপূৰণ ঘোষণা কৰিছে। ২১টা পৰিয়ালৰ বৃহৎ ক্ষতিগ্ৰস্ত পৰিয়ালৰ মাজৰ মাথো চাৰিটা ম্যাদী পট্টা থকা পৰিয়ালক ১ লাখ ২০ হাজাৰকৈ ক্ষতিপূৰণ প্ৰদান কৰে। আনোৱাৰ হুছেইন, আবু ফাতেহ আহমেদ, মমিন শ্বেখ, বিনিতা দাসৰ পৰিয়ালক মুঠ ৪ লাখ ৮০ হাজাৰ টকা ক্ষতিপূৰণ প্ৰদান কৰা হয়। লক্ষণীয় যে, ইয়াৰ পূৰ্বেও এনে ভয়াৱহ জলবিস্ফোৰণৰ সাক্ষী হ'বলগীয়া হৈছিল খাৰঘূলি অঞ্চল।

প্ৰথম পৃষ্ঠাৰ পৰা...

# বিহাৰত আকৌ ওলট-পালটৰ সম্ভাৱনা!

কুমাৰৰ সম্পৰ্কক লৈ সৃষ্টি হৈছে নতুন জল্পনা-কল্পনাৰ। এসময়ত মিত্ৰ, পিছলৈ প্ৰতিদ্বন্দ্বী-নীতিশ-লালুৰ সম্পৰ্কই বিগত সময়ত বহুবাৰ লুটিবাগৰ মাৰিছিল। বৃহস্পতিবাৰে লালু প্ৰসাদৰ মন্তব্যই পুনৰবাৰ এই সম্পৰ্কৰ সম্ভাব্য পৰিৱৰ্তনৰ ইংগিত প্ৰদান কৰিছে। লালু প্ৰসাদে বৃহস্পতিবাৰে কয় যে নীতিশ কুমাৰৰ বাবে বিজেপি বিৰোধী মিত্ৰজোঁট 'ইণ্ডিয়া'ৰ দুৱাৰ মুকলি আছে। উল্লেখ্য যে, চলিত বৰ্ষতে বিহাৰত অনুষ্ঠিত হ'ব বিধানসভাৰ নিৰ্বাচন। এনে পৰিপ্ৰেক্ষিতত লালুপ্ৰসাদৰ এই মন্তব্যৰ পিছৰে পৰা ৰাজনৈতিক ক্ষেত্ৰখনত তীব্ৰ জল্পনা-কল্পনা আৰম্ভ হৈছে। নীতিশ কুমাৰে সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত পোনপটীয়াকৈ কোনো মন্তব্য প্ৰদান নকৰিলেও তেওঁৰ ৰুষ্ট সঁহাৰিয়ে বিষয়টো আৰু গভীৰ কৰি তোলা পৰিলক্ষিত হয়। আনহাতে সংবাদ মাধ্যমৰ সময়ত পুৰণি মিত্ৰতালৈ উভতি যোৱাৰ সম্ভাৱনা সম্পূৰ্ণৰূপে অস্বীকাৰো কৰা নাই মুখ্যমন্ত্ৰী নীতিশ কুমাৰে। এনে কাৰণতে তেওঁৰ মিত্ৰতা সলনিৰ জল্পনা-কল্পনা এতিয়া অধিক তীব্ৰতৰ হৈ পৰিছে। প্ৰণিধানযোগ্য যে, সত্তৰৰ দশকত জয়প্ৰকাশ নাৰায়ণৰ আহ্বানত লালু আৰু নীতিশে ইন্দিৰা গান্ধীৰ বিৰুদ্ধে ছাত্ৰ আন্দোলনৰ নেতৃত্ব দিছিল। জৰুৰীকালীন অৱস্থাৰ সময়ত দুয়োকে একেলগে কাৰাগাৰত বন্দী কৰাও হৈছিল। কিন্তু নব্বৈৰ দশকত লালু আৰু নীতিশ কুমাৰৰ পথ বিচ্ছিন্ন হ'বলৈ আৰম্ভ কৰে। লালুৰ লগত মতানৈক্যৰ বাবে নীতিশ কুমাৰে জনতা দল এৰি সমতা পাৰ্টি গঠন কৰে। পিছত বিজেপিৰ সৈতে মিত্ৰতা কৰি মুখ্যমন্ত্ৰী হয়। অৱশ্যে সময়ৰ লগে লগে একাধিকবাৰ তেওঁৰ শত্ৰুতা মিত্ৰতালৈ সলনিও হৈছে। ২০১৫ আৰু ২০২২ চনত লালুৰ সৈতে মিত্ৰতা কৰি মুখ্যমন্ত্ৰীৰ চকীত বহে নীতিশ কুমাৰ। কিন্তু পৰৱৰ্তী সময়ত পুনৰ তেওঁ মিত্ৰতা ভংগ কৰি এন ডি এলৈ ঘূৰি যায়। এতিয়া পুনৰ নীতিশ আৰু লালু প্ৰসাদৰ মিত্ৰতাৰ সম্ভাৱনাই বিহাৰৰ ৰাজনীতিত চৰ্চা লাভ কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ঢেকীয়াজুলিত দুৰ্ঘটনাত নিহত যুৱ

জ্বলি উঠা এখন চাৰিচকীয়া বাহনৰ ভিতৰত এজন উদীয়মান সাংবাদিক জীৱন্তে জ্বলি ছাই হোৱাৰ ঘটনাই শোণিতপুৰ জিলাৰ ঢেকীয়াজুলিত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। গাড়ীৰ ভিতৰত জ্বলি ছাই হৈ মৃত্যু হোৱা সাংবাদিকজন ২৮ বছৰীয়া চন্দন ছেত্ৰী। নিজৰ চাৰিচকীয়া বাহন লৈ চন্দন ছেত্ৰীয়ে ঢেকীয়াজুলিৰ ভোটপাৰা অভিমুখে গৈ থকাৰ সময়তে এখন দলঙৰ এটা মূৰত খুন্দা লগাত হঠাৎ গাড়ীখনত অগ্নিকাণ্ড সংঘটিত হয়। অগ্নিকাণ্ড ইমান তীব্ৰতৰ আছিল যে মুহূৰ্ততে সমগ্ৰ গাড়ীখন আগুৱি ধৰে। গাড়ীৰ পৰা বাহিৰলৈ ওলাবলৈ প্ৰয়াস কৰিছিল যদিও সম্ভৱ নোহোৱাত গাড়ীৰ ভিতৰতে কৰুণ মৃত্যুক আকোৱালি লয় চন্দনে। জানিব পৰা মতে, আজি সন্ধিয়া ঢেকীয়াজুলিৰ বালিজানৰ ঘৰৰ পৰা চাৰিচকীয়া অল্ট' গাড়ীৰে ওলাই গৈছিল চন্দন। জুইকুৰা ইমানে ভয়নক আছিল যে পথচৰীয়ে গাড়ীৰ কাষলৈ যাবৰ বাবে সাহস নকৰিলে বুলি জানিব পৰা গৈছে। কিছু সময়ৰ ভিতৰতে জুইৰ লেলিহান শিখাৰ মাজত আৱদ্ধ হৈ পৰে চন্দন। খবৰ পোৱা মাত্ৰকে অগ্নিনিৰ্বাপক বাহিনীৰ গাড়ী উপস্থিত হৈ জুইকুৰা নুমুৱাবলৈ সক্ষম হয় যদিও তেতিয়ালৈ চন্দনৰ শৰীৰৰ লগতে গাড়ীৰ নম্বৰপ্লেট পৰ্যন্ত ছাইত পৰিণত হৈছিল। গাড়ীৰ ভিতৰত ৰন্ধন গেছৰ খালী চিলিণ্ডাৰ এটাও আছিল বুলি জানিব পৰা গৈছে। আৰক্ষীয়ে চন্দনৰ অগ্নিদগ্ধ শৰীৰ মৰণোত্তৰ পৰীক্ষাৰ বাবে তেজপুৰ চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰিছে। আন একাংশই এই দুৰ্ঘটনাক সহজে ল'ব পৰা নাই। দুৰ্ঘটনা ৰহস্যজনক হৈ পৰাত উচিত তদন্তৰো দাবী জনাইছে একাংশই। চন্দন ছেত্ৰীয়ে সাংবাদিকতা কৰাৰ লগতে ঢেকীয়াজুলিৰ যুৱ সাহিত্যিক হিচাপে পৰিচিত আছিল। ২৮ বছৰীয়া চন্দনৰ কৰুণ মৃত্যুত শোকস্তব্ধ হৈ পৰিছে ঢেকীয়াজুলি।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# কুকুৰে ছাগলীক কামোৰাত বিজেপিৰ

একাংশ নেতাই সাধাৰণ লোকক মানুহ বুলি গণ্য নকৰি হত্যা কৰিবলৈ কুণ্ঠাবোধ কৰা হৈছে। ৰঙিয়াত বিজেপিৰ নেতাৰ বাহনত বাইকেৰে খুন্দা মৰাৰ অভিযোগত ১২জনকৈ নেতাই ধৰ্মেন্দ্ৰ নাথ নামৰ ২১ বছৰীয়া যুৱকক হত্যা কৰাৰ অভিযোগে ৰাজ্য কঁপাই গৈছিল। বিজেপিৰ নেতাৰ উদ্বতালিক লৈ ৰঙিয়াবাসী চিন্তত হোৱাৰ সময়তে ইংৰাজী নৱবৰ্ষৰ পহিলা দিনটোত ডিমা হাচাওৰ বিজেপি কৰ্মীয়ে নিজে দলৰ নেতা তথা উত্তৰ-কাছাৰ স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী দেৱলাল গাৰ্লোছাৰ গুণ্ডাগিৰিৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰি ৰাজ্যিক সভাপতি ভৱেশ কলিতা আৰু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ ওচৰত ন্যায় দাবী কৰিছিল। ডিমা হাচাওত দেৱলাল গাৰ্লোছাই ক্ষমতাৰ অপব্যৱহাৰ কৰি চাকৰি কেলেংকাৰী, ভূমি দখল, বিজেপিৰ নেতা-কৰ্মীক ভাবুকি, গুণ্ডাৰাজ, চিণ্ডিকেট চলোৱাৰ অভিযোগ আনি কেইবাশ বিজেপিৰ নেতা-কৰ্মীয়ে নৱবৰ্ষৰ পহিলা দিনটোত অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰিছিল। বিজেপি শাসিত ডিমা হাচাওৰ উত্তৰ-কাছাৰ স্বায়ত্ব শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী দেৱলাল গাৰ্লোছাৰ বিৰুদ্ধে খোদ স্থানীয় বিজেপিৰ নেতা-কৰ্মীয়ে আন্দোলন কৰাৰ পিছতে এইবাৰ শোণিতপুৰ জিলাৰ চতিয়াৰ বিজেপি বিধায়ক পদ্ম হাজৰিকাৰ নিৰ্দেশত বিজেপি কৰ্মীক গ্ৰেপ্তাৰ কৰাৰ অভিযোগ উত্থাপন হৈছে। শোণিতপুৰ জিলাৰ জামগুৰিহাট আৰক্ষী থানা এলেকাৰ কুসুমতোলাৰ নীলোৎপল ভূঞাক এক হাস্যকাৰ অভিযোগত গ্ৰেপ্তাৰ কৰাৰ অভিযোগ উত্থাপন হৈছে। এটা বাটৰ কুকুৰে ছাগলীক কামোৰাত গোচৰ ৰুজু হয় আৰু বিজেপিৰ দুৰ্ধৰ্ষ কৰ্মী নীলোৎপল ভূঞাক গ্ৰেপ্তাৰ কৰে আৰক্ষীয়ে। ছাগলী চুৰি আৰু ছাগলীৰ গৰাকীক হত্যা কৰিব খোজাৰ অভিযোগত বিজেপিৰ সক্ৰিয় কৰ্মী নিলোৎপল ভূঞা গ্ৰেপ্তাৰ হয়। গ্ৰেপ্তাৰৰ পিছতে আৰক্ষীৰ জিম্মাৰ পৰাই জামুগুৰি আৰক্ষী আৰু বিধায়ক পদ্ম হাজৰিকাৰ বিৰুদ্ধে নীলোৎপল ভূঞাই বিস্ফোৰক অভিযোগ উত্থাপন কৰিছে। ভূঞাই কয় যে ঘৰৰ ওচৰৰ মানুহৰ বনৰীয়া কুকুৰে ছাগলীক কামুৰিছে। জামগুৰি আৰক্ষী থানাৰ অ'চিয়ে কৈছে যে পদ্ম হাজৰিকাই ৰাতিৰে পৰা শুবলৈ দিয়া নাই। মোৰ ওপৰত ভুৱা ধাৰা লগাই মোক গ্ৰেপ্তাৰ কৰাইছে। তদন্তকাৰী বিষয়া আৰু ভাৰপ্ৰাপ্ত বিষয়াই মোৰ পৰা ৫ হাজাৰ টকা লৈছে। অনলাইনত ঘোচ লৈছে। সেই তথ্য-পাতি পিছত মই জনাম। আপোনালোকে দেখিছে অসম আৰক্ষী বিশেষকৈ জামগুৰিহাট পুলিচে এমএলএৰ বুঢ়া আঙুলিৰ নিৰ্দেশত চলে। জামগুৰি আৰক্ষীৰ বিৰুদ্ধে নীলোৎপল ভূঞাই গুৰুতৰ অভিযোগ উত্থাপন কৰি কয় যে ভুৱা গোচৰ সকলোতকৈ বেছি জামগুৰি আৰক্ষীয়ে কৰে। আৰু ঘোচ লোৱাত এক নম্বৰ। তিলটোকে তাল কৰা হয়। বনৰীয়া কুকুৰে বেলেগৰ ছাগলী কামুৰিছে আৰু গোচৰ পঞ্জীয়ন হৈছে মোৰ নামত। এইগৰাকী বিজেপিৰ কৰ্মী নিলোৎপল ভূঞা একালত চতিয়াৰ বিধায়ক পদ্ম হাজৰিকাৰ ঘনিষ্ঠ আছিল বুলি জানিব পৰা গৈছে। পদ্ম হাজৰিকাৰ ঘনিষ্ঠ হৈ থকাৰ সময়তে বহু বিতৰ্কত নাম সাঙোৰ খোৱাৰ অভিযোগ উঠিছিল। আইন মহাবিদ্যালয়ৰ ছাত্ৰক গাড়ী ৰখাই প্ৰহাৰ কৰাৰো অভিযোগ উত্থাপন উঠিছিল। কোৱা বাহুল্য যে হাজৰিকাৰ ঘনিষ্ঠ হৈ থকাকালত দপদপাই থকা নীলোৎপল ভূঞা আজি পদ্ম হাজৰিকাৰ শত্ৰু। যাৰ বাবে হয়তো বিধায়কে কুকুৰে ছাগলীক কামোৰাৰ গইনা লৈ ভূঞাক গ্ৰেপ্তাৰ কৰে! প্ৰতিদিনে অসমত কুকুৰে মানুহক কামোৰে। আৰক্ষীয়ে প্ৰথমবাৰ কুকুৰৰ গৰাকী হোৱাৰ সন্দেহত এজন যুৱকক গ্ৰেপ্তাৰ কৰিছে। বিজেপি কৰিবলৈ গৈ বিজেপিৰ তৃণমূল কৰ্মীৰ এতিয়াৰ আলাই-আথানিৰ সীমা নোহোৱা হৈছে। নিৰ্বাচনৰ সময়ত আদৰ-সাদৰ কৰি ব্যৱহাৰ কৰি নিৰ্বাচনৰ পাৰ হৈ যোৱাৰ পিছতে 'ইউছ-এণ্ড-থ্ৰ' কৰা হয় নেকি বুলিও জামগুৰিহাটত প্ৰশ্ন উত্থাপন হোৱা দেখা গৈছে।

# বোকাজান শাখা সাহিত্য সভাৰ উদ্যোগত অসম ভিত্তিত সাহিত্য প্ৰতিযোগিতা

**ই-সংবাদ, বোকাজান, ২ জানুৱাৰীঃ** প্ৰকৃতিৰ ধ্বংসৰ ভয়াবহতা আৰু জীৱ-জন্তুৰ সুৰক্ষাৰ প্ৰয়োজনীয়তাক মূল বিষয় হিচাপে লৈ পাৰিপাৰ্শ্বিকতাৰ ভাৰসাম্য ৰক্ষাৰ বাবে নৱ-প্ৰজন্মক সচেতন কৰাৰ লক্ষ্যৰে অসম সাহিত্য সভাৰ অন্যতম সক্ৰিয় শাখা বোকাজান সাহিত্য সভাই ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সদৌ অসম ভিত্তিত কবিতা, চুটি গল্প আৰু প্ৰবন্ধ প্ৰতিযোগিতাৰ আয়োজন কৰিছে। পঞ্চমৰ পৰা অষ্টম শ্ৰেণীলৈ "ক" শাখা আৰু নৱম-দশম শ্ৰেণীক "খ" শাখা হিচাপে ধৰি আয়োজিত প্ৰতিযোগিতাৰ দুয়োটা শাখাৰ কবিতা আৰু গল্পৰ বিষয় "প্ৰকৃতিৰ দান"। আনহাতে, দুয়োটা শাখাৰ প্ৰবন্ধৰ বিষয় "জীৱ-জন্তুৰ প্ৰতি আমাৰ কৰ্তব্য আৰু দায়িত্ব"। কবিতা ১৫-২০ শাৰীৰ ভিতৰত লগতে গল্প আৰু প্ৰবন্ধ ৫০০ ৰ পৰা ২০০০ শব্দৰ ভিতৰত লিখা হব লাগিব। একেগৰাকী প্ৰতিযোগীয়ে কবিতা, গল্প, প্ৰবন্ধ তিনিওটা বিভাগতে অংশগ্ৰহণ কৰিব পাৰিব। প্ৰতিযোগিতালৈ পঠোৱা কবিতা, গল্প বা প্ৰবন্ধৰ আৰম্ভণিতে (ওপৰত) "প্ৰতিযোগিতাৰ বাবে" বুলি লিখিব লাগিব আৰু তলত (শেষত) নিজৰ নাম, বয়স, শ্ৰেণী, ঠিকনা, ফোন নম্বৰ আদি লিখিব লাগিব। দুয়োটা শাখাৰে প্ৰতিটো বিভাগৰে শ্ৰেষ্ঠ তিনিগৰাকীকৈ প্ৰতিযোগীক নগদ ধন, মান-পত্ৰ আৰু কিতাপৰ টোপোলাৰে পুৰস্কৃত কৰা হব। উল্লেখ্য যে, অহা ২০২৫ চনৰ মাৰ্চ মাহৰ শেষৰফালে অনুষ্ঠিত হবলগীয়া বোকাজান সাহিত্য সভাৰ দ্বি-বাৰ্ষিক পূৰ্ণাংগ অধিবেশনত বঁটা সমূহ প্ৰদান কৰা হব বুলি বোকাজান স্বৰ্ণ শাখা সাহিত্য সভাৰ সভাপতি-সম্পাদক ক্ৰমে সূৰ্য শইকীয়া আৰু প্ৰাণদ্বীপ চেতিয়াই এক প্ৰেছ বিবৃতিযোগে জানিবলৈ দিয়ে। আনহাতে, গল্প, কবিতা, প্ৰবন্ধ আদি অহা ৩১ জানুৱাৰীৰ ভিতৰত পোৱাকৈ ডাকযোগে অথবা কোৰিয়াৰযোগে পঠিয়াব লাগিব।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# তদন্তৰ দাবী জনালে বিৰোধী কংগ্ৰেছ

বিস্ফোৰণ হৈ জলপ্ৰলয়ৰ সৃষ্টি হোৱা ঘটনাক তীব্ৰ সমালোচনা কৰিছে ৰাজ্যৰ বিৰোধী দলসমূহে। কংগ্ৰেছে অসম ৰাজ্যিক মানৱ অধিকাৰ আয়োগক হস্তক্ষেপ কৰি তদন্ত কৰাৰ দাবী উত্থাপন কৰিছে। সঘনাই এনে কাণ্ড সংঘটিত হৈ অহাত গুৱাহাটীবাসী শংকিত হৈ অহাৰ সময়তে বিৰোধী দলপতি তথা কংগ্ৰেছ নেতা দেৱব্ৰত শইকীয়াই এয়া চৰকাৰৰ বিফলতা বুলি অভিহিত কৰে। ৰাজ্যিক মানৱ অধিকাৰ আয়োগক স্বয়ং বিবেচনা কৰি ব্যৱস্থা গ্ৰহণৰ দাবী জনায়। দেৱব্ৰত শইকীয়াই কয় যে যিহেতু এনে ঘটনা সঘনাই ঘটি আহিছে, গতিকে ইয়াত গভীৰ আঁসোৱাহ আছে। কাৰোবাৰ দোষ নিশ্চিতভাৱে আছে। আজি ঘটনা সংঘটিত হোৱাৰ পিছতে বিধায়ক দিগন্ত বৰ্মন, কামৰূপ মহানগৰ জিলা কংগ্ৰেছৰ সভাপতি গোপাল চন্দ্ৰ শৰ্মাক লগত লৈ ঘাৰঘুলিৰ ক্ষতিগ্ৰস্ত এলেকা ভ্ৰমণ কৰি ২০২৩ চনত একেটা অঞ্চলতে পাইপলাইন বিস্ফোৰণৰ ফলত মৃত্যু হোৱা এগৰাকী মহিলাক স্মৰণ কৰি শইকীয়াই কয় যে পূৰ্বৰ ঘটনাটোৰ পিছত অসম ৰাজ্যিক মানৱ অধিকাৰ আয়োগক অভিযোগ দাখিল কৰা হৈছিল। কিন্তু কোনো দৃঢ় ব্যৱস্থা গ্ৰহণ কৰা নহ'ল। সেই সময়তে মই প্ৰশ্ন কৰিছিলো। পাইপ বহুওৱাৰ ৰেডিঅ'গ্ৰাফী পৰীক্ষা কৰা হৈছিল নে নাই? ঠিকাদাৰৰ উচ্চ চাপযুক্ত পাইপৰ কাম কৰাৰ অভিজ্ঞতা আছে নে নাই? আমি এটা আন্তৰ্জাতিক সংস্থা জাইকাৰ পৰা পুঁজি প্ৰাপ্ত কৰিছো। মই নিশ্চিত যে তেওঁলোকৰ মানক অপাৰেটিং প্ৰক্ৰিয়া আছে। আমি অতীতৰ ভুলবোৰৰ পৰা শিকিব লাগিব। কিন্তু এনে লাগে যে চৰকাৰে একো শিকিব পৰা নাই। আজি ঘটনাস্থলী পৰিদৰ্শন কৰি নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী জয়ন্তমল্ল বৰুৱাই এই ঘটনাৰ বাবে বিভাগক দায়ী কৰিব নোৱাৰি বুলি দিয়া মন্তব্যৰ উত্তৰত শইকীয়াই কয় যে মন্ত্ৰীগৰাকীয়ে অলপতে এই পদ গ্ৰহণ কৰাৰ পিছত, এতিয়ালৈকে বিষয়টোক লৈ সম্পূৰ্ণ সজাগতা নাথাকিব পাৰে। মন্ত্ৰী বৰুৱা এতিয়াও দায়িত্বত নতুন। তেওঁ এমাহৰো কম সময়ৰ বাবে এই পদত আছে। প্ৰকল্পটো প্ৰয়াত প্ৰধানমন্ত্ৰী মনমোহন সিঙৰ কাৰ্যকালত আৰম্ভ হৈছিল। আজিলৈকে ই অসম্পূৰ্ণ হৈ আছে। আন উৎসৰ পৰা বিশেষজ্ঞ বিচৰাতকৈ কেৱল ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠানৰ (আইআইটি) পৰা গৱেষক অনাৰ ক্ষেত্ৰত মুখ্যমন্ত্ৰীয়ে জোৰ দিয়াত প্ৰশ্ন উত্থাপন কৰি শইকীয়াই কয় যে যোৱা বছৰেই মই চৰকাৰক পৰিস্থিতি মূল্যায়নৰ বাবে আন্তঃৰাষ্ট্ৰীয় বিশেষজ্ঞৰ এটা দল অনাৰ পৰামৰ্শ দিছিলো। মুখ্যমন্ত্ৰীয়ে আইআইটি গৱেষকসকলৰ ওপৰত নিৰ্ভৰশীল। আইআইটি মুম্বাইৰ পৰামৰ্শ কিয় লোৱা নহয়? চৰকাৰক জবাবদিহি কৰিব লাগিব। ইপিনে ঘটনাস্থলী পৰিদৰ্শন কৰি নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী জয়ন্তমল্ল বৰুৱাই ৰাইজৰ সৈতে আলোচনাত মিলিত হয়। লগতে ক্ষতিগ্ৰস্ত পৰিয়ালসমূহক ক্ষতিপূৰণ দিয়াৰ আশ্বাস প্ৰদান কৰে। গুৱাহাটী মেট্ৰ'পলিটান ড্ৰিংক ৱাটাৰ এণ্ড চিৱেজ ব'ৰ্ডৰ প্ৰকল্প সঞ্চালক পল্লৱ গোপাল ঝাই ঘটনা সংঘটিত হোৱাৰ প্ৰায় দুই ঘণ্টা পিছত ঘটনাস্থলীত উপস্থিত হৈ কয় যে আমি পাইপলাইনত পানীৰ চাপ হ্ৰাস কৰিবলৈ আইআইটিৰ বিজ্ঞানীসকলৰ পৰামৰ্শ অনুসৰি চাৰ্জ টেংক স্থাপন কৰিছিলো। কাইলৈৰ পৰা তিনিদিনীয়া পানী যোগান বন্ধ ৰখাৰ পৰিকল্পনা কৰিছিলো। দুৰ্ভাগ্যবশতঃ এই দুৰ্ঘটনাটো আশা কৰাতকৈ আগতে সংঘটিত হৈছিল। লক্ষণীয়ভাৱে, গুৱাহাটী জল বৰ্ডে বৃহস্পতিবাৰে পুৱা খাৰঘুলি, জয়পুৰ, ৰামচা হিল, হিৰিম্বাপুৰ, শিলপুখুৰী আৰু দীঘালীপুখুৰীকে ধৰি বিভিন্ন অঞ্চলত বিতৰণ নেটৱৰ্কৰ ফ্লাশিং আৰু পৰীক্ষা কৰাৰ পৰিকল্পনাৰ বিষয়ে জনসাধাৰণক অৱগত কৰিছিল।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# গ্ৰন্থমেলাত সাতদিনত চাৰি কোটিৰ

আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাই যৌথভাৱে খানাপাৰাস্থিত পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত আয়োজন কৰা অসম গ্ৰন্থমেলা, গুৱাহাটী। কাৰ্যতঃ ভাষা-সাহিত্য-সংস্কৃতিৰ এক পীঠস্থানলৈ ৰূপান্তৰিত হৈছে খানাপাৰা বাকৰিৰ এই গ্ৰন্থোৎসৱ। বিপণীত পঢ়ুৱৈৰ উপস্থিতিয়ে প্ৰকাশন গোষ্ঠী সমূহকো বাৰুকৈয়ে উৎসাহিত কৰা পৰিলক্ষিত হৈছে। যোৱা ২৭ ডিচেম্বৰৰ পৰা আজি পৰ্যন্ত অসম গ্ৰন্থমেলা, গুৱাহাটীত ৪ কোটি টকাৰ কিতাপ বিক্ৰী হোৱা বুলি সদৰী কৰিছে উদ্যোক্তাসকলে। ইপিনে আজি বিয়লি ১২-৩০ বজাৰ পৰা 'অ' মোৰ সুৰীয়া মাত" শীৰ্ষক অসমীয়া ভাষালৈ ধ্ৰুপদী মৰ্যাদা বিষয়ক বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হয় গ্ৰন্থমেলাৰ বাকৰিত। অসমীয়া ভাষাই ধ্ৰুপদী মৰ্যাদা লাভ কৰা উপলক্ষে দুখন আলোচনা সত্ৰৰে এই অনুষ্ঠানটিৰ আয়োজন কৰা হয়। প্ৰথমখন আলোচনা সত্ৰৰ বিষয় হৈছে "অসমীয়া শব্দ সম্ভাৰৰ ধ্ৰুপদী চৰিত্ৰ বিশ্লেষণ"। ইয়াত উদ্বোধক হিচাপে অংশগ্ৰহণ কৰে নতুন দিল্লীৰ বিশিষ্ট সংস্কৃত পণ্ডিত ড° বলদেৱানন্দ সাগৰে। উদ্বোধনী ভাষণত তেওঁ কয়, "অৰূপ কুমাৰ দত্তৰ "লাচিত বৰফুন" গ্ৰন্থৰ সংস্কৃত অনুবাদ কৰাৰ সৌভাগ্য মোৰ হৈছে। এই গ্ৰন্থৰ অনুবাদৰ মাজেৰে অসমৰ ইতিহাস, সংস্কৃতি, মানুহৰ সামাজিক দায়ৱদ্ধতা, দেশ-প্ৰেমৰ বিষয়ে জানিব পাৰিছো। এইখন অসমৰ মাতৃভাষা অৰ্থাৎ অসমীয়া ভাষাই ধ্ৰুপদী ভাষাৰ স্বীকৃতি লাভ কৰিছে। এয়া যথাৰ্থতে আনন্দ আৰু গৌৰৱৰ কথা। কাৰণ অসমীয়া ভাষাই এই মৰ্যাদাৰে সকলো শংকাৰ পৰা মুক্ত হ'ল। এতিয়া ভাষাটোৰ শুদ্ধ চৰ্চা আৰু প্ৰয়োগে ইয়াৰ উত্তৰণ সাধিব আৰু প্ৰসাৰ ঘটাব। দৰাচলতে ভাষাৰ বৈচিত্ৰ্য ভাৰতবৰ্ষৰ এক অলংকাৰ। সকলো আঞ্চলিক বা ক্ষেত্ৰীয় ভাষাবোৰে ভাৰতীয় ভাষা-সাহিত্যক সমৃদ্ধ কৰিছে। ভাষা-সাহিত্যই আমাৰ সমাজ ব্যৱস্থা, জীৱনশৈলীক জগতসভালৈ আগবঢ়াই নিছে। অসমীয়া ভাষায়ো একেই কামকে কৰিছে।" তেওঁ প্ৰসংগক্ৰমে বেদ-উপনিষদৰ বিভিন্ন শ্লোকৰ উদ্ধৃতিৰে মানুহৰ জীৱন-দৰ্শন, ভাষিক-প্ৰয়োজনৰ বিষয়ে ব্যাখ্যা কৰে। তেওঁ পুনৰ কয়, "একম সদ বিপ্ৰা বহুধা বদন্তি—অৰ্থাৎ সত্য বা পৰম সত্য এটাই। বিভিন্ন পণ্ডিতে বিভিন্ন ধৰণে ইয়াৰ ব্যাখ্যা কৰিছে। এই কথা জ্ঞান-বিজ্ঞান, সমাজ-ৰাজনীতি সকলোতে প্ৰযোজ্য হয়। বিভিন্ন পথেৰে গৈও একেই পথত উপনীত হ'ব পাৰি।" সত্ৰখন সঞ্চালনা কৰে ভাষাবিদ ,অভিধান প্ৰণেতা তথা অসম প্ৰকাশন পৰিষদৰ উপাধ্যক্ষ সুমন্ত চলিহাই। তেওঁ ভাষণ প্ৰসংগত কয় যে এটা গুৰুত্বপূৰ্ণ বিষয়ক লৈ ইয়াত আলোচনা হ'ল। অসমীয়া ভাষাৰ শব্দৰ ধ্ৰুপদী চৰিত্ৰ বিশ্লেষণ কৰিলে আনন্দায়ক অভিজ্ঞতা অৰ্জন কৰিব পাৰি। অসমীয়া ভাষাৰ প্ৰকাশিকা শক্তি সমৃদ্ধ। একেটা অৰ্থকে প্ৰকাশ কৰিব পৰা বহু শব্দ আমাৰ ভাষাত আছে। এই প্ৰাচীন শব্দ সম্ভাৰৰ ধ্ৰুপদী চৰিত্ৰ বা বৈশিষ্ট্য আছে। ধ্ৰুপদী স্বীকৃতিয়ে আমাৰ দায়িত্ব বৃদ্ধি কৰিছে। ভাষাটোৰ সৰ্বোতপ্ৰকাৰৰ বিকাশৰ বাবে আমি শুদ্ধভাৱে চৰ্চা আৰু প্ৰয়োগ কৰিব লাগিব। ইয়াত আলোচক অতিথিৰূপে আংশগ্ৰহণ কৰি বিশিষ্ট ভাষাতাত্বিক ড° খগেশ সেন ডেকাই কয় যে শব্দৰ ব্যৱহাৰ সঠিক হ'লেহে ভাষাটোক শুদ্ধকৈ জীয়াই ৰাখিব পৰা যায়। আমাৰ মাত-কথাত ধ্ৰুপদী শব্দৰ লগতে ঘৰুৱা শব্দৰো সম্ভাৰ আছে। কেৱল সংস্কৃত শব্দবোৰেই যে ধ্ৰুপদী এনে কথা নহয়। ঐতিহ্যমণ্ডিত সকলো শব্দই ধ্ৰুপদী শব্দ। অসমীয়া ভাষা এনে শব্দৰে সমৃদ্ধ হৈ আছে। আন এগৰাকী ভাষাতাত্বিক ড° দীলিপ ৰাজবংশীয়ে বিষয় সন্দৰ্ভত আলোচনা কৰি কয় যে পঞ্চম শতিকাৰ পৰা ধৰিলেও অসমীয়া ভাষাৰ ইতিহাসে ১৫শ বছৰ অতিক্ৰম কৰিছে। এই সময়ছোৱাত অসমীয়া ভাষা বিভিন্ন বিৱৰ্তনৰ মাজেৰে আহি আজিৰ এই পৰ্যায় পাইছেহি। পঞ্চম শতিকাতে অসমীয়া ভাষাৰ লিখিত নিদৰ্শন পোৱা যায়। এই দীঘলীয়া সময়ত শব্দ ভাণ্ডাৰ গঢ়ি উঠিছে আৰু এইবোৰে ধ্ৰুপদী বৈশিষ্ট্য লাভ কৰিছে। ভাষাৰ পৰিৱৰ্তন হৈ থাকিব, নতুন শব্দ সোমাব, এয়া ভাষাৰ নিয়ম। অসমীয়া ভাষাত একেটা বিষয় বা বস্তুক বুজাবলৈ বহুত শব্দ আছে। এনে বহু শব্দৰ এতিয়া ব্যৱহাৰ বা চৰ্চা কমি আহিছে। এইবোৰ ব্যৱহাৰ কৰা উচিত, তেতিয়া ভষাটো অধিক সমৃদ্ধ হ'ব। একদৰে আন এগৰাকী আলোচক ড° স্মৃতিৰেখা ভূঞাই এই বিষয়ে কয় য়ে প্ৰাচীন ভাৰতীয় আৰ্য ভাষা বা সংস্কৃত আমাৰ ভাষাৰ মূল। প্ৰাগজ্যোতিষপুৰ আৰু কামৰূপ শব্দ দুটা বোধহয় প্ৰথম ধ্ৰুপদী শব্দ। সাহিত্যৰ ভাষাৰ এটা বেলেগ ৰূপ থাকে আৰু কথিতৰ বেলেগ ৰূপ থাকে। লোকসাহিত্যৰ ভাষাখিনিও ধ্ৰুপদী ভাষা । কাৰণ এই ভাষায়ো ১৫ শ বছৰ অতিক্ৰম কৰিছে। দ্বিতীয় পৰ্বৰ আলোচনা সত্ৰৰ বিষয় হৈছে "ধ্ৰুপদী অসমীয়া আৰু অসমৰ জনগোষ্ঠীয় ভাষা"। এই পৰ্ব পৰিচালনা কৰে বিশিষ্ট ভাষাবিদ তাৰিণীকান্ত গোস্বামীয়ে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# সহজ হ'ব তিনি বাহিনীৰ যোগাযোগ

এতিয়াৰ পৰা সেনা, নৌসেনা, আৰু বায়ুসেনাৰ মুৰব্বীসকলৰ ব্যক্তিগত ষ্টাফ অফিচাৰ বা 'এইড-ডি-কেম্প' নিযুক্তি দিয়া হ'ব অন্যান্য সেৱাৰ সদস্যৰ পৰা। প্ৰতিৰক্ষা মন্ত্ৰালয়ৰ এক অধিসূচনা অনুসৰি ২০২৫ চনৰ ১ জানুৱাৰীৰ পৰা এই নতুন ব্যৱস্থা কাৰ্যকৰী হ'ব। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙৰ অধ্যক্ষতাত সেনা প্ৰধান জেনেৰেল মনোজ পাণ্ডে, এয়াৰ চিফ মাৰ্শ্বাল ভি আৰ চৌধুৰী আৰু নৌসেনাৰ প্ৰধান এডমিৰেল আৰ হৰি কুমাৰৰ উপস্থিত অনুষ্ঠিত হোৱা এক বৈঠকত গ্ৰহণ কৰা হৈছে এই সিদ্ধান্ত। ৰাজনাথ সিঙে কয় যে আমি সশস্ত্ৰ বাহিনীৰ যৌথ কাৰ্য্যকলাপ নিশ্চিত কৰাৰ লগতে সম্পদ আৰু জনশক্তিৰ সৰ্বাধিক ব্যৱহাৰৰ বাবে দ্ৰুত পদক্ষেপ গ্ৰহণ কৰিছো। উল্লেখ্য যে, নতুন নিয়ম অনুসৰি সেনা প্ৰধানৰ সহায়ক হ'ব নৌসেনা বা বায়ুসেনাৰ এজন বিষয়া। নৌসেনাৰ মুৰব্বীৰ সহায়ক সেনা বা বায়ুসেনাৰ সদস্য হ'ব, আৰু বায়ুসেনাৰ মুৰব্বীৰ 'এড-ডি-কেম্প' হ'ব সেনা বা নৌসেনাৰ বিষয়া। এই পদক্ষেপে সশস্ত্ৰ বাহিনীৰ মাজত যোগাযোগ আৰু পাৰস্পৰিক সহযোগিতা আৰু অধিক শক্তিশালী কৰিব বুলি আশা কৰা হৈছে। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে কয় যে এই পদক্ষেপৰ জৰিয়তে জৰুৰীকালীন অৱস্থাত এটা বাহিনীৰ সম্পদ আন এটা শক্তিয়ে সহজে ব্যৱহাৰ কৰিব পাৰিব, যাৰ ফলত ৰাষ্ট্ৰীয় প্ৰতিৰক্ষা ব্যৱস্থা অধিক ফলপ্ৰসূ হ'ব।

প্ৰথম পৃষ্ঠাৰ পৰা...

# 'অন্ধবিশ্বাস বিৰোধী দিৱস' হ'ব ১৩

বীৰুবালা মৃত্যুৰ দিনটোক 'অন্ধবিশ্বাস বিৰোধী দিৱস' ৰূপে পালনৰ ঘোষণা কৰিছে অসম চৰকাৰে। আজি ৰাজভৱনে প্ৰকাশ কৰা অধিসূচনা অনুসৰি এতিয়াৰ পৰা প্ৰতিবছৰে ১৩ মে'ৰ দিনটোত 'অন্ধবিশ্বাস বিৰোধী দিৱস' ৰূপে পালন কৰা হ'ব। সকলো চৰকাৰী-বেচৰকাৰী সংস্থাই বিভিন্ন সজাগতা সৃষ্টি, বিজ্ঞানমনস্ক পৰিৱেশ গঢ়ি তুলিবলৈ কাৰ্যসূচীৰ আয়োজন কৰিব। এই কাৰ্যসূচী যোগে সমাজৰ পৰা অন্ধবিশ্বাস, কুপ্ৰথা আতৰাই বিজ্ঞানমনস্ক সমাজ গঢ়িবলৈ প্ৰয়াস কৰিব। এক বিবৃতি চৰকাৰে কয় যে অন্ধ বিশ্বাসৰ অৱসানতে প্ৰগতিৰ নৱ উত্থান। অন্ধবিশ্বাস আৰু কুসংস্কাৰৰ বিৰুদ্ধে শ্ৰদ্ধাৰ বীৰুবালা ৰাভাৰ অৱদানক সন্মান জনাই অসম চৰকাৰে ১৩ মে' দিনটোক 'অন্ধবিশ্বাস বিৰোধী দিৱস' ৰূপে ঘোষণা কৰিছে। আহক সমাজৰ কুপ্ৰথা গুচাই বিজ্ঞান মনস্কতাৰ দিশত সজাগতা আৰু প্ৰচাৰেৰে আগবাঢ়ো আৰু নিৰ্মাণ কৰো সুস্থ আৰু সবল সমাজ। ডাইনী হত্যাৰ দৰে অন্ধবিশ্বাসৰ বিৰুদ্ধে জনসাধাৰণৰ মাজত সচেতনতা সৃষ্টি কৰা বিৰুবালা ৰাভা অসমৰ সাহসী যোদ্ধা আছিল।চাৰিটা দশক ধৰি অসমত প্ৰচলিত অন্ধবিশ্বাস, ডাইনী হত্যা আদিৰ বিৰুদ্ধে ৰাইজৰ মাজত সচেতনতা সৃষ্টিৰ চেষ্টা কৰিছিল। অসমত ডাইনী সন্দেহত আতিশয্যৰ মুখামুখি হোৱা বহু লোকক তেওঁ সহায় কৰিছিল। ২০০৫ চনত শান্তিৰ ন'বেল বঁটাৰ বাবে নাম প্ৰেৰণ কৰা হৈছিল। ভাৰত চৰকাৰে ২০২১ চনত চতুৰ্থ সৰ্বোচ্চ অসামৰিক সন্মান পদ্মশ্ৰী বঁটাৰে সন্মানিত কৰে। পদ্মশ্ৰী বীৰুবালা ৰাভাৰ অৱদানক সন্মান জনাই ১৩ মে' দিনটোক 'অন্ধবিশ্বাস বিৰোধী দিৱস' ৰূপে পালনৰ সিদ্ধান্ত লোৱাত দল-সংগঠনে চৰকাৰৰ শলাগ লৈছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# কেৱল সৰ্বা নাছিল বৈঠকত

নিৰ্বাচন। ব্যস্ত হৈ পৰিছে বিজেপি দল আৰু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা। ইতিমধ্যে মণ্ডল সভাপতি নিয়োগ কৰি বিজেপিয়ে জিলা সভাপতিসমূহ সলনি কৰিবলৈ তৎপৰ হৈছে। নতুন ৰূপত সংগঠন আগবঢ়াই নিয়াৰ প্ৰয়াস কৰা বিজেপিয়ে নতুন নেতাক জিলা সভাপতিৰ দায়িত্ব দিবলৈ ওলাইছে। ইতিমধ্যে জিলা বিজেপিৰ সভাপতিৰ দায়িত্ব দিবলগীয়া নেতাসকলৰ তালিকা প্ৰস্তুত হৈছে বুলি জানিব পৰা গৈছে। সমানে বিজেপি আৰু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সহযোগী দলৰ সৈতে সম্পৰ্ক শক্তিশালী কৰিবলৈ তৎপৰ হৈছে। আজি মুখ্যমন্ত্ৰীয়ে বিজেপি দল আৰু সকলো সহযোগী দলৰ বিধায়ক, সাংসদৰ সৈতে জৰুৰী বৈঠক অনুষ্ঠিত কৰে। এই বৈঠকত স্বায়ত্ব শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহীসকলো উপস্থিত থাকে। লোকসেৱা ভৱনত অনুষ্ঠিত বৈঠকত চৰকাৰে গ্ৰহণ কৰা আঁচনিসমূহৰ চৰ্চা ৰাইজৰ মাজলৈ নিবলৈ মুখ্যমন্ত্ৰীয়ে সকলো বিধায়ক-সাংসদক আহ্বান জনায়। অনাহকত বিতৰ্কৰ সৃষ্টি হ'ব পৰা কথাৰ পৰা পাৰ্যমানে আঁতৰি থাকি চৰকাৰৰ কাম-কাজক ৰাইজলৈ মাজলৈ নিবলৈ মুখ্যমন্ত্ৰীয়ে মন্ত্ৰী-সাংসদ-বিধায়কক পৰামৰ্শ দিয়ে। কল্যাণমূলক আঁচনিসমূহৰ সুবিধা সৰ্বস্তৰৰ ৰাইজে লাভ কৰাতো সুনিশ্চিত কৰাৰ অৰ্থে সাংসদ আৰু বিধায়ক আৰু স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহীসকলৰ সৈতে বিতং আলোচনাত মিলিত হয় মুখ্যমন্ত্ৰী। হিমন্ত বিশ্ব শৰ্মাই ৰাষ্ট্ৰীয় গণতান্ত্ৰিক মৰ্চাৰ সাংসদ, বিধায়ক আৰু স্বায়ত্তশাসিত পৰিষদসমূহৰ মুখ্য কাৰ্যবাহীসকলৰ সৈতে অনুষ্ঠিত গুৰুত্বপূৰ্ণ বৈঠকত আঁচনিৰ সুফল ৰাজ্যৰ প্ৰতিটো কোণলৈ সঠিকভাৱে লৈ যোৱাটো সুনিশ্চিত কৰাত গুৰুত্ব দিয়ে। বৈঠকত অসম চৰকাৰৰ মন্ত্ৰীসকল, বিজেপি-অগপ-ইউপিপিএলৰ সাংসদ, বিধায়ক আৰু স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্যসকল উপস্থিত থাকে যদিও উপস্থিত নাছিল কেৱল প্ৰাক্তন মুখ্যমন্ত্ৰী তথা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল। বিজেপি দলত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ মুখ্য প্ৰতিদ্বন্দ্বী সৰ্বানন্দ সোণোৱালে মুখ্যমন্ত্ৰীয়ে আয়োজন কৰা এনেধৰণৰ অনুষ্ঠানত প্ৰায়ে উপস্থিত থকা দেখা নাযায়। ২০২৬ চনৰ বিধানসভা নিৰ্বাচনৰ দিন চমু চাপি অহাৰ সময়তে দিল্লীত ব্যস্ত থকা সৰ্বানন্দ সোণোৱাল আৰু হিমন্ত বিশ্ব শৰ্মাৰ মাজত ব্যৱধান বাঢ়ি অহাৰ বুলি অভিযোগৰ মাজতে আজিও সাংসদ সোণোৱাল বৈঠকত উপস্থিত নাথাকিল। সোণোৱালে উপস্থিত নাথাকি দুয়ো নেতাৰ মাজত দূৰত্ব বৃদ্ধি পোৱা কথাটোক সঁচা প্ৰমাণিত কৰিলে নেকি বুলিও নৱবৰ্ষৰ আৰম্ভণিতে পুনৰ চৰ্চা চলা দেখা গৈছে।

# কোকৰাঝাৰত প্ৰৱক্তাৰ ঘৰত চোৰৰ চাফাই অভিযান

**ই-সংবাদ, কোকৰাঝাৰ, ২ জানুৱাৰীঃ** খ্ৰীষ্টীয় নৱবৰ্ষৰ প্ৰথম দিনটোতে কোকৰাঝাৰত চোৰে চাফাই অভিযান চলালে। নৱবৰ্ষৰ আনন্দ উলাহৰ মাজতে কোকৰাঝাৰ ছোৱালী মহাবিদ্যালয়ৰ সহকাৰী প্ৰৱক্তা তথা কোকৰাঝাৰ সদৰ চহৰৰ নিকটৰ জয়পুৰৰ বাসিন্দা জুলফিকৰ আলি তালুকদাৰৰ ঘৰত চোৰে চাফাই অভিযান চলাই নগদ ধন -সোণ, আ-অলংকাৰ লুটি নিয়ে। ঘৰত কোনো নথকাৰ সুযোগ গ্ৰহণ কৰি চোৰে কালি নিশা অৰ্থাৎ নৱনৰ্ষৰ নিশা ঘৰৰ গ্ৰীল আৰু দৰজাৰ তলা ভাঙি প্ৰৱেশ কৰি আ-অলংকাৰ আৰু নগদ ধন ৩০ হাজাৰ টকা লৈ উধাও হয়। চোৰে ঘৰৰ সমস্ত বয়-বস্তু লণ্ডভণ্ড কৰাৰ লগতে আলমাৰীৰ তলা পৰ্যন্ত ভাঙি মূল্যবান সামগ্ৰী সমূহ লৈ যায়। উল্লেখ্য যে প্ৰৱক্তা জুলফিকৰ আলি তালুকদাৰে কালি পৰিয়ালৰ সৈতে শ্ৰীৰামপুৰৰ শিমুলটাপুত থকা গাঁৱৰ ঘৰলৈ গৈছিল আৰু নিশাটো তাতেই আছিল। প্ৰতিবেশীয়ে আজি ৰাতিপুৱা তেওঁলোকৰ ঘৰৰ গ্ৰীলৰ তলা ভাঙি থকা দেখি জুলফিকৰ আলি তালুকদাৰক খবৰ দিয়ে। প্ৰতিৱেশীৰ খবৰৰ ভিত্তিত শ্ৰীৰামপুৰৰ শিমুলটাপুৰ পৰা কোকৰাঝাৰৰ নিজ ঘৰত উধাতু খাই উপস্থিত হোৱাৰ পিছতে তেওঁৰ ঘৰত চোৰ হোৱা ঘটনাৰ বিষয়ে জুলফিকৰ আলী তালুকদাৰ অৱগত হয় আৰু আৰক্ষীক ঘটনাৰ বিষয়ে অৱগত কৰে। ঘটনাস্থলীত আৰক্ষী আৰু ফৰেনছিকৰ দল উপস্থিত হৈ পৰীক্ষা-নিৰীক্ষা কৰাৰ লগতে তদন্ত আৰম্ভ কৰিছে। উল্লেখ্য যে কিছুমাহৰ পৰা কোকৰাঝাৰৰ ভিন্ন প্ৰান্তত চোৰৰ টিঘলঘিলনি বাঢ়িছে আৰু এইক্ষেত্ৰত আৰক্ষীৰ পেট্ৰলিং ব্যৱস্থা অধিক কাৰ্যক্ষম কৰি তুলিবলৈ সচেতন ৰাইজে দাবী উত্থাপন কৰিছে।

## দুখীয়া কৃষকক লৈ ৰাজনীতি নকৰিবলৈ কৈ মুখ্যমন্ত্ৰীক প্ৰত্যাহ্বান খাৰুপেটীয়াৰ কৃষক সমাজৰ

# সাহস আছে যদি খাৰুপেটীয়ালৈ আহি পাচলিত কিমান সাৰ দিয়ে সেয়া চাই যাওক!

**ই-সংবাদ, খাৰুপেটীয়া, ২ জানুৱাৰীঃ** দৰং জিলাৰ খাৰুপেটীয়াৰ পাচলিৰ খেতি পৰিদৰ্শন কৰিবলৈ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক খাৰুপেটীয়ালৈ আহিবলৈ আহ্বান কৃষকৰ। আবোল-তাবোল বক্তব্য দিয়াৰ পৰা বিৰত থাকিবলৈকো মুখ্যমন্ত্ৰীক সকীয়নি খাৰুপেটীয়াৰ কৃষকৰ। "দৰং জিলাৰ খাৰুপেটীয়াৰ শাক-পাচলি নাখাব, নহ'লে আপোনাৰ কিডনী বেয়া হ'ব! খাৰুপেটীয়াৰ খেতিয়কে বহুত বেছি ৰাসায়নিক সাৰ দিয়ে শাক-পাচলিত।"- মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই নৱবৰ্ষৰ প্ৰথম দিনটোতে জ্যেষ্ঠ সাংবাদিকৰ সমুখত কৰা উক্ত মন্তব্যৰ বিৰুদ্ধে জাঙুৰ খাই উঠিছে কৃষকৰ লগতে সংখ্যালঘু সংগঠনসমূহ। উল্লেখ্য যে, ৰাজ্যৰ ভিতৰত জৈৱিক প্ৰক্ৰিয়াৰে খাৰুপেটীয়াত সৰ্বাধিক শাক-পাচলি উৎপাদন কৰাৰ পিছতো বছৰৰ প্ৰথমটো দিনতে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ খাৰুপেটীয়াৰ কৃষকসকলক টাৰ্গেট কৰি লৈ কৰা মন্তব্যৰ বিৰুদ্ধে এতিয়া তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে কৃষক ৰাইজৰ মাজত। আজি আমছুৰ মুখ্য উপদেষ্টা আইনুদ্দিন আহমেদে মুখ্যমন্ত্ৰীৰ নিকৃষ্ট মন্তব্যৰ বিৰুদ্ধে তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয় যে যদি মুখ্যমন্ত্ৰীৰ সাহস আছে অবৈধ কীটনাশক ঔষধ তথা ৰাসায়নিক সাৰ বিক্ৰী কৰা ব্যৱসায়ীৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰক। কৃষকৰ পাচলিৰ উচিত মূল্য দিব নোৱৰা মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই শাক-পাচলিৰ চিণ্ডিকেটৰাজ চলাই থকা বুলিও বিস্ফোৰক অভিযোগ উত্থাপন কৰে আমছুৰ নেতাজনে। পাচলিৰ বিক্ৰী বন্ধ হ'লে কৃষকৰ কষ্টোপাৰ্জিত পাচলিৰ লোকচানৰ দায়িত্ব মুখ্যমন্ত্ৰীয়ে ল'ব লাগিব বুলিও হুংকাৰ দিয়ে। আনহাতে গৰুখুঁটিত হাজাৰ হাজাৰ কৃষিভূমি উচ্ছেদ কৰি পাচলি উৎপাদন বন্ধ কৰি দিয়াৰ পিচত বৰ্তমান পাচলিৰ নাটনি হোৱা বুলি অভিযোগ তুলিছে ছাত্ৰ নেতা আইনুদ্দিনে। ইফালে বঁটা প্ৰাপ্ত তথা পাচলি খেতি কৰি স্বাৱলম্বী হোৱা হবিবুৰ ৰহমান আৰু কৃষক ছৰিফ উদ্দিন আহমেদে মুখ্যমন্ত্ৰীয়ে খাৰুপেটীয়াৰ পাচলিক লৈ কৰা মন্তব্যৰ বিৰুদ্ধে তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয় যে গোবৰৰ বজাৰ থকা খাৰুপেটীয়া অঞ্চলত জৈৱিক প্ৰক্ৰিয়াৰে খেতি কৰি ভাৰতৰ বাহিৰতো ডুবাই, লণ্ডন আদিলৈ ৰপ্তানি কৰিছে খাৰুপেটীয়াৰ পাচলি। সেই ক্ষেত্ৰত মুখ্যমন্ত্ৰীৰ মন্তব্য দুৰ্ভাগ্যজনক আৰু মুখ্যমন্ত্ৰীয়ে দুখীয় কৃষকসকলৰ সৰলতাৰ সুযোগ লৈ কৃষকসকল সংখ্যালঘু হোৱা বাবেই নিকৃষ্ট ৰাজনীতি কৰিছে বুলি ক্ষোভ প্ৰকাশ কৰে। খাৰুপেটীয়াত কৃষি বিভাগৰ চৰকাৰী কৰ্মচাৰী নিয়োগ কৰি ৰাসায়নিক সাৰ বা ঔষধ প্ৰয়োগ কৰা হয় বুলি প্ৰমাণ কৰি দেখুৱাবলৈকো কৃষকসকলে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক প্ৰত্যাহ্বান জনায়। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই এনেদৰে নিজৰ ৰাজনৈতিক স্বাৰ্থ সিদ্ধিৰ বাবে খাটি খোৱা কৃষকৰ কষ্টোপাৰ্জিত পাচলিক লৈ আবোল তাবোল বক্তব্য দিয়া বন্ধ নকৰিলে অনাগত দিনত মুখ্যমন্ত্ৰীৰ বিৰুদ্ধে তীব্ৰ আন্দোলন গঢ়ি তোলা হ'ব বুলি হুংকাৰ দিয়ে খাৰুপেটীয়াৰ কৃষকসকলে। উল্লেখ্য যে সময়ে সময়ে মুখ্যমন্ত্ৰীয়ে এনেদৰে খাৰুপেটীয়াক লৈ আপত্তিজনক মন্তব্য কৰি আহিছে।

## পহিলা জানুৱাৰীৰ নিশা ধলাৰ আৰৈমূৰীয়া গাঁও পঞ্চায়তত চুৰি

**ই-সংবাদ, ডুমডুমা, ২ জানুৱাৰীঃ** পহিলা জানুৱাৰীৰ নিশা ধলা (ছৈখোৱা) আৰক্ষী থানাৰ অন্তৰ্গত আৰৈমূৰীয়া গাঁওস্থিত আৰৈমূৰীয়া গাঁও পঞ্চায়তৰ কাৰ্যালয়ত এক চুৰিকাণ্ড সংঘটিত হয়। জানিব পৰা মতে, পঞ্চায়তটোৰ কাৰ্যালয়টিৰ এটি কোঠাত ৰখা এটি পানী মটৰ আৰু এটি গেছ চিলিণ্ডাৰ লৈ উধাও হয় চোৰে। নিশা চোৰে কোঠাটোৰ তলা ভাঙি প্ৰয়োজনীয় উক্ত বস্তু দুপদ লৈ যায়। আজি পুৱা পঞ্চায়তটোৰ কৰ্মচাৰীসকল কাৰ্য্যালয়টোত উপস্থিত হোৱাত উক্ত ঘটনাটো পোহৰলৈ আহে। ঘটনাৰ সন্দৰ্ভত ধলা আৰক্ষী থানাত খবৰ দিয়াত ধলা আৰক্ষীৰ এটি দল কাৰ্য্যালয়টিত গৈ উপস্থিত হয়। আৰক্ষীয়ে ঘটনাৰ সন্দৰ্ভত তদন্ত চলাই চোৰক কৰায়ত্ত কৰাৰ আশ্বাস দিয়ে। উল্লেখ্য যে, আৰৈমূৰীয়া গাঁও পঞ্চায়তত ইয়াৰ পূৰ্বেও অনুৰূপ ঘটনা সংঘটিত হৈছে। সেইবাৰো চোৰে এটি পানী মটৰ লৈ উধাও হৈছিল। ইয়াকে লৈ সমগ্ৰ অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি হৈছে। স্থানীয় ৰাইজে শীঘ্ৰে চোৰক কৰায়ত্ত কৰি বিহিত ব্যৱস্থা গ্ৰহণ কৰাৰ লগতে সকাহ দিবলৈ আৰক্ষীক দাবী জনাইছে।

## নৱবৰ্ষৰ প্ৰথম দিনটোত ফুলগুৰিত 'প্ৰজ্ঞা'ৰ উদ্যোগত কিতাপ পঢ়াৰ আন্দোলন

**ই-সংবাদ, বেবেজীয়া, ২ জানুৱাৰীঃ** সমাজৰ শিশু আৰু অকণি সকলৰ মাজত কিতাপ পঢ়াৰ অভ্যাস গঢ়ি তোলাৰ ক্ষেত্ৰত এক বিশেষ প্ৰয়াস হাতত লৈ অকণিৰ মঞ্চ 'প্ৰজ্ঞা'ৰ উদ্যোগত ইংৰাজী নৱবৰ্ষৰ প্ৰথম দিনটোত নগাঁৱৰ বেবেজীয়াৰ সমীপস্থ শংকৰদেৱ শিশু নিকেতন, ফুলগুৰিৰ খেল পথাৰত "কিতাপ পঢ়াৰ আন্দোলন" নামকৰণেৰে এক বিশেষ কাৰ্যসূচীৰ উদ্বোধন হয়। এই ব্যতিক্ৰমী কাৰ্যসূচীৰ আনুষ্ঠানিকভাৱে শুভ উদ্বোধন কৰে বিশিষ্ট গল্পকাৰ, নাট্যকাৰ শিৱানন্দ কাকতিয়ে। তেওঁ শিশুসকলৰ মাজত কিতাপ পঢ়াৰ প্ৰয়োজনীয়তা আৰু আনন্দৰ ওপৰত এক গুৰুত্বপূৰ্ণ আৰু সাৰুৱা বক্তব্যৰে শিশু আৰু ছাত্ৰ-ছাত্ৰীসকলক তেখেতে অনাবিল আনন্দৰ খোৰাক যোগায়। তেওঁ ভাষণ প্ৰসংগত কয় যে কিতাপে শিশুৰ মনৰ দুৱাৰ-খিৰিকীবোৰ খুলি দিয়ে। পাঠ্যপুথিৰ বাহিৰে আন কিতাপসমূহৰ মাজেৰে শিশুৱে জীৱন আৰু জগতৰ বহু কৌতূহল আৰু ৰহস্যৰ সন্ধান লাভ কৰিবলৈ সক্ষম হয়। জীৱনৰ ভেটি গঢ়াত এই অধ্যয়নে প্ৰচুৰ ভূমিকা পালন কৰে। এখন সুস্থ সমাজ আৰু এটা শক্তিশালী জাতি গঠনৰ বাবে এই কিতাপ পঢ়াৰ পৰিৱেশটো অতিকৈ প্ৰয়োজন।' অনুষ্ঠানত ডাঃ দেৱদূত কাকতি আৰু অনুষ্ঠানটোৰ মুখ্য পৃষ্ঠপোষক গৌতম ডেকাই নিজৰ জীৱনত সংঘটিত হোৱা কিছু ঘটনাৰে শিশুসকলক কিতাপ পঢ়াৰ অভ্যাস গঠন কৰিবলৈ উৎসাহ প্ৰদান কৰে। 'প্ৰজ্ঞা'ৰ সম্পাদক দিব্যজোতি মেধিয়ে আঁত ধৰা অনুষ্ঠানটিত 'প্ৰজ্ঞা'ৰ সভাপতি তথা বিশিষ্ট লেখক, গীতিকাৰ প্ৰাঞ্জল কুমাৰ মহন্তই শিশুসকলৰ মাজত এক নতুনত্ব আনিবৰ বাবে ভাষণ প্ৰসংগত ক্ৰয় কৰিব নোৱাৰা ছাত্ৰ-ছাত্ৰীসকলৰ মাজত কিছু কিতাপ বিতৰণ কৰাৰ কথা উল্লেখ কৰে। অনুষ্ঠানত প্ৰজ্ঞাৰ সম্পাদক দিব্যজোতি মেধিয়ে নতুন বছৰৰ জানুৱাৰী মাহৰ ভিতৰত প্ৰায় দহখন শিক্ষানুষ্ঠানত এই কাৰ্যসূচী অনুষ্ঠিত কৰাৰ লগতে সমূহ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীক লৈ "কিতাপ পঢ়াৰ আনন্দ" বিষয়ৰ এখনি ৰচনা প্ৰতিযোগিতাৰো আয়োজন কৰা হ'ব বুলি সদৰী কৰে। শেষত নিকেতনৰ প্ৰধান আচাৰ্য নৰজ্যোতি শৰ্মাকে প্ৰমুখ্য কৰি নিকেতনৰ সমূহ আচাৰ্য-আচাৰ্যা আৰু উপস্থিত অভিভাৱকসকলক অকণিৰ মঞ্চ প্ৰজ্ঞাৰ তৰফৰ পৰা আন্তৰিক শলাগ আৰু কৃতজ্ঞতা জ্ঞাপন কৰি কাৰ্য্যসূচীৰ সমাপ্তি ঘটোৱা হয়।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

# বড়মপুৰ ছহিদ স্মৃতি আদৰ্শ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ৭৬তম্ প্ৰতিষ্ঠা দিৱস উদযাপন

**ই-সংবাদ, পুৰণিগুদাম, ২ জানুৱাৰী:** নগাঁও জিলাৰ বৃহত্তৰ বড়মপুৰ অঞ্চলৰ শিক্ষাৰ প্ৰাণকেন্দ্ৰস্বৰূপ ঐতিহ্যমণ্ডিত বড়মপুৰ ছহিদ স্মৃতি আদৰ্শ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ আজি ৭৬ তম্ প্ৰতিষ্ঠা দিৱসটি উলহ-মালহৰে উদযাপন কৰা হয়। ইতিমধ্যে মহাৰজত জয়ন্তী গৰকা বিদ্যালয়খনৰ ৭৬ তম্ প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি আজি পুৱাই বিদ্যালয়ৰ চৌহদত বড়মপুৰ অঞ্চলৰ বিভিন্ন বৰ্ষীয়ান তথা জ্যেষ্ঠ ব্যক্তি আৰু প্ৰাক্তন ছাত্ৰ- ছাত্ৰীসকলৰ দ্বাৰা ৭৫ খন পতাকা উত্তোলন কৰা হয়। ইয়াৰে মূল পতাকা উত্তোলন কৰে বিদ্যালয়ৰ মহাৰজত জয়ন্তী উদযাপন সমিতিৰ কাৰ্যকৰী সভাপতি নৰেন্দ্ৰ নাথ শৰ্মাই। ইয়াৰ পাছতে বিদ্যালয়খনৰ প্ৰতিষ্ঠাপক সভাপতি হেমকান্ত হাজৰিকাৰ প্ৰতিমূৰ্ত্তিত বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি অৰ্পণ কৰে বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি চাকিৰাম শইকীয়াৰ লগতে বিদ্যালয়ৰ শিক্ষকবৃন্দ আৰু প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলে। গায়ন-বায়নৰে শোভাযাত্ৰা কৰি বড়মপুৰৰ বীৰ চাৰি শ্বহীদৰ বেদীত বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি অৰ্পণ কৰে মাধন শইকীয়া, গিৰিশ কলিতা, দেৱানন্দ গোস্বামী আৰু প্ৰদীপ শইকীয়াৰ লগতে বিদ্যালয়ৰ শিক্ষকবৃন্দ আৰু অঞ্চলৰ বহুকেইজন জ্যেষ্ঠ ব্যক্তিয়ে। ইয়াৰ পাছতে বিদ্যালয়ৰ চৌহদত থকা জাতীয় শ্বহীদ বেদীত বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি প্ৰদান কৰে বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষা নিভা দত্ত আৰু দিলীপ দাসে। পুৱা ১০-৩০ বজাত এক উৎসৱমুখৰ পৰিৱেশত আয়তীৰ উৰুলি ধ্বনিৰ মাজত বিদ্যালয়খনৰ ছাত্ৰ- ছাত্ৰীসকলৰ দ্বাৰা বড়মপুৰৰ আকাশ-বতাহ মুখৰিত কৰি এক বিশাল বাৰেৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। সাংস্কৃতিক শোভাযাত্ৰাৰ শুভ উদ্বোধন কৰে বড়মপুৰ বাৰেগএগ্ৰা সমাজৰ সভাপতি দয়াৰাম কলিতাই। বিভিন্ন বেশভূশাৰে সাংস্কৃতিক শোভাযাত্ৰাত অংশগ্ৰহণ কৰে শিক্ষাৰ্থীসকলে। বৰ অসমৰ প্ৰতিটো জাতি-জনগোষ্ঠীৰ বৰ্ণিল কৃষ্টি-সংস্কৃতিৰ সমাহাৰ ঘটে এই সাংস্কৃতিক শোভাযাত্ৰাত। অসমীয়াৰ বাপতিসাহোন বিহুৰ বিভিন্ন প্ৰকাৰ, সত্ৰীয়া সংস্কৃতিৰ পৰা আৰম্ভ কৰি ভাওনা, ৰাসলীলা, দিহানাম, কৃষিকৰ্মৰ পৰা আৰম্ভ কৰি বড়ো, মিচিং, তিৱা, কাৰ্বি, কছাৰী সকলোৰে কৃষ্টি-সংস্কৃতি প্ৰতিফলিত হয় এই শোভাযাত্ৰাত।গায়ন-বায়ন, গুৰু দুজনা, ফাঁকু খেল, বোকা খেল, ৰোৱনী-দাৱনী, হস্তশিল্প, বয়নশিল্প, মৃৎ শিল্প, বাঁহ-বেঁতৰ শিল্প, কাঁহ-পিতলৰ শিল্প, হুঁচৰি, অসমীয়া বিয়া, থলুৱা খেল-ধেমালি, জয়মতীৰ আত্মত্যাগ আদি অসংখ্য বিষয়ৰ প্ৰতীকীৰূপে জীৱন্ত ৰূপত উপস্থাপন কৰি বড়মপুৰৰ আকাশ-বতাহ জীপাল কৰি তোলে এই সাংস্কৃতিক শোভাযাত্ৰাই। বিদ্যালয় চৌহদৰ পৰা বড়মপুৰৰ মূল ৰাজপথৰ মাজেৰে যোৱা এই বৰ্ণিল শোভাযাত্ৰাত আজি ৫০০ ৰো অধিক ৰাইজে অংশগ্ৰহণ কৰে।

# দৰিদ্ৰ মেধা ছাত্ৰ-ছাত্ৰীক আৰ্থিক সহায়ৰ বাবে দুমুনিচকীত হেঙুল থিয়েটাৰ

**ই-সংবাদ, দুমুনিচকী, ২ জানুৱাৰীঃ** বৃহত্তৰ দুমুনিচকী অঞ্চলৰ অন্যতম সামাজিক অনুষ্ঠান দৰঙী গ্ৰামীণ বিকাশ সমিতিয়ে বিগত সময়ছোৱাৰ দৰে এইবেলিও দৰিদ্ৰ পৰিয়াল তথা দৰিদ্ৰ মেধা ছাত্ৰ-ছাত্ৰীক আৰ্থিক সহায় কৰাৰ উদ্দেশ্যে দুমুনিচকীত আমন্ত্ৰণ কৰিছে হেঙুল থিয়েটাৰ দলক। সেইমৰ্মে ১ জানুৱাৰীত দৰঙৰ বৰনৈ ছিনিয়ৰ ছেকেণ্ডাৰী স্কুল খেলপথাৰত প্ৰথম নিশা 'মছজিদ ৰোড নামঘৰ পথ' নাটকখন দৰ্শকৰ বিপুল সঁহাৰিত সফলভাৱে প্ৰদৰ্শন কৰাৰ পিছত আজি সন্ধিয়া হেঙুল থিয়েটাৰ দলে প্ৰদৰ্শন কৰে অভিজিত ভট্টাচাৰ্যৰ দ্বাৰা ৰচিত এখন জনপ্ৰিয় নাট 'বিড়ি'। দৰঙী গ্ৰামীণ বিকাশ সমিতিৰ সভাপতি ডাঃ মৃদুল আহমেদ আৰু সম্পাদক লুটফুৰ ৰহমানে নাট 'বিড়ি' উপভোগ কৰি উদ্যোক্তাসকলক সহযোগ কৰাৰ বাবে ধন্যবাদ জ্ঞাপন কৰে। উল্লেখ্য যে প্ৰথম নিশা নাট আৰম্ভ হোৱাৰ পূৰ্বে মুখ্যদ্বাৰ মুকলি কৰে আলহাজ আজিজুৰ ৰহমানে। আনহাতে, মঞ্চ মুকলি কৰে সমাজকৰ্মী মমতাজ আলীয়ে। এই অনুষ্ঠানতে দৰঙী গ্ৰামীণ বিকাশ সমিতিৰ তৰফৰ পৰা অঞ্চলটোৰ কেইবাগৰাকীও জ্যেষ্ঠ নাগৰিকক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। ইফালে, এই বৰ্ষত থিয়েটাৰৰ লাভ্যাংশৰে অনাগত দিনত ছাত্ৰ-ছাত্ৰীৰ প্ৰতিভা বিকাশৰ বাবে সদৌ অসম ভিত্তিত অনুষ্ঠিত কৰা হ'ব বিভিন্ন সাহিত্যমূলক প্ৰতিযোগিতা।



**খাৰঘুলিৰ পাইপ বিস্ফোৰিত এলেকা পৰিদৰ্শন বিৰোধী দলপতি দেৱব্ৰত শইকীয়াৰ**

# অসম কেন্সাৰ কেয়াৰ ফাউণ্ডেচনৰ অসমীয়া ভাষাত প্ৰকাশিত আলোচনী 'প্ৰত্যাশা' উন্মোচন

**ই-সংবাদ, দুমুনিচকী, ২ জানুৱাৰীঃ** অসম চৰকাৰ আৰু টাটা ট্ৰাষ্টৰ যৌথ উদ্যোগত গঢ় লৈ উঠা অসম কেন্সাৰ কেয়াৰ ফাউণ্ডেচনৰ পৃষ্ঠপোষকতাত অসমৰ বিভিন্ন জিলাত কেন্সাৰ হাস্পতালৰ অন্যতম দৰং কেন্সাৰ কেন্দ্ৰত আজি অসম কেন্সাৰ কেয়াৰ ফাউণ্ডেচনৰ তৰফৰ পৰা প্ৰকাশিত আলোচনী প্ৰত্যাশা উন্মোচন কৰা হয়। দৰং কেন্সাৰ কেন্দ্ৰত অনুষ্ঠিত হোৱা বিশেষ কাৰ্যসূচীৰ জৰিয়তে প্ৰত্যাশা নিউজলেটাৰখন উন্মোচন কৰে দৰং জিলা যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ডাঃ ৰমেশ চন্দ্ৰ গোস্বামীয়ে। অনুষ্ঠানৰ আৰম্ভণিতে দৰং কেন্সাৰ কেন্দ্ৰৰ অধীক্ষক ডাঃ (কৰ্নেল) চৈয়দ ইফটিখাৰ চোভানীয়ে আদৰণি ভাষণ আগবঢ়ায়। দৰং কেন্সাৰ কেন্দ্ৰৰ ৰোগী সমন্বয়ক নিৰঞ্জন শইকীয়াই আঁত ধৰা কাৰ্যসূচীত উপস্থিত থাকে ডিব্ৰুগড় জিলাৰ জিলা প্ৰকল্প অভিযন্তা ৰফিকুল ইছলাম, খাৰুপেটীয়া মহাবিদ্যালয়ৰ সহযোগী অধ্যাপিকা জাহিদা চুলতানা, দৰং কেন্সাৰ কেন্দ্ৰৰ ৰেডিঅ' ছন অনকল'জি বিভাগৰ চিকিৎসক ডাঃ সীবা সেন্থমেয়ৰ, ডাঃ মানস ৰঞ্জন সেনাপতি, চিকিৎসক ছাহিদুল ইছলাম, চিকিৎসক ৰুবিনা ইয়াছমিন, দৰং কেন্সাৰ কেন্দ্ৰৰ এইচ আৰ গৌতম সন্দিকৈ, জিলা সমন্বয়ক দীপমণি শৰ্মা, কৰ্মচাৰী দীপু ডেকাৰ লগতে কেইবাগৰাকীও দৰং কেন্সাৰ কেন্দ্ৰৰ চিকিৎসক, নাৰ্চৰ লগতে বিভিন্ন বিভাগৰ কৰ্মচাৰী আৰু ৰোগীসকলৰ অভিভাৱক উপস্থিত থাকে। অসম কেন্সাৰ কেয়াৰ ফাউণ্ডেচনৰ মুখ্য পৰিচালন সঞ্চালক ডাঃ জয় প্ৰকাশ প্ৰসাদ আৰু অসম কেন্সাৰ কেয়াৰ ফাউণ্ডেচনৰ প্ৰকল্প সঞ্চালক গৌতম চিন্তেৰ প্ৰত্যক্ষ সহযোগত বহুভাষিক প্ৰথম প্ৰকাশিত অসমীয়া ভাষাৰ নিউজ লেটাৰ প্ৰত্যাশাৰ সম্পাদনাৰ দায়িত্বত থাকে সম্পাদিকা অসম কেন্সাৰ কেয়াৰ ফাউণ্ডেচনৰ কৰ্মচাৰী নন্দিনী কাকতি, সহযোগী সম্পাদক মণ্ডলী তেজপুৰ কেন্সাৰ কেন্দ্ৰৰ কৰ্মচাৰী চেতনজিৎ শইকীয়া, দৰং কেন্সাৰ কেন্দ্ৰৰ কৰ্মচাৰী নিৰঞ্জন শইকীয়া আৰু যোৰহাট কেন্সাৰ কেন্দ্ৰৰ কৰ্মচাৰী ধ্ৰুৱজ্যোতি কাকতি। অসম কেন্সাৰ কেয়াৰ ফাউণ্ডেচনৰ পৃষ্ঠপোষকতাত বহুভাষিক প্ৰথম প্ৰকাশিত অসমীয়া ভাষাৰ আলোচনী প্ৰত্যাশাত কৰ্কট ৰোগৰ সাৰধানতা আৰু সজাগতাৰ লগতে কৰ্কট ৰোগৰ চিকিৎসা সম্পৰ্কীয় বিষয়সমূহ প্ৰকাশ পাইছে।

# নৱবৰ্ষৰ প্ৰথম নিশা চেলেংহাটত ভয়ংকৰ পথ দুৰ্ঘটনা

**ই-সংবাদ, মৰিয়নি, ২ জানুৱাৰীঃ** নৱবৰ্ষই চেলেংহাটলৈ নমাই আনিলে কাল অমানিশা। পহিলা জানুৱাৰীৰ নিশা সংঘটিত এক ভয়ংকৰ পথ দুৰ্ঘটনাই জোকাৰি যায় সমগ্ৰ অঞ্চলটো। উল্লেখ্য যে চেলেংহাটৰ মাজুনগাঁওৰ পৰা কলীয়া পানী সত্ৰৰ পথত কনকলতা উচ্চ মাধ্যমিক বিদ্যালয়ৰ সমীপৰ ৰাস্তাৰ কাষৰ এজোপা গছত চেলেংহাটৰ দিশে আহি থকা AS-33 A3-801 নম্বৰৰ এখন বগা ৰঙৰ বলেৰ' বাহনে নিশা প্ৰায় এক-ডেৰ বজাত তীব্ৰ বেগেত খুন্দা মৰাৰ ফলত দুৰ্ঘটনাটো সংঘটিত হয়। দুৰ্ঘটনাটো ইমানেই ভয়ংকৰ আছিল যে বলেৰ' বাহনখনৰ সন্মুখভাগ সম্পূৰ্ণ ৰূপে চূৰ্ণ-বিচূৰ্ণ হৈ পৰে। জানিব পৰা মতে, বাহনখনৰ পিছৰ আসনত বহি অহা অভিজিত চুতীয়া(২৪) নামৰ চেলেংহাটৰ দুলিয়া গাঁৱৰ যুৱকজনৰ থিতাতে মৃত্যু হয়। তদুপৰি চেলেংহাটৰে লুখুৰাখন গাঁৱৰ ৰক্তিম গগৈ, টিয়ক বনাইৰ দেবব্ৰত চেতিয়া আৰু অন্য সীমান্ত বৰা নামৰ যুৱক গুৰুতৰভাৱে আহত হয়। যোৰহাটৰ পৰা সেই পথেৰে অহা কোনো পথচাৰীয়ে দুৰ্ঘটনাৰ বিষয়ে চেলেংহাট আৰক্ষীক খবৰ দিয়াত চেলেংহাট আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ দুৰ্ঘটনাত পতিত গাড়ী আৰু ভিতৰত থকা আৰোহীকেইজনক উদ্ধাৰ কৰি টিয়ক এফ আৰু ইউত ভৰ্তি কৰে যদিও পিছৰ পৰ্যায়ত যোৰহাট চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰা হয়। পৰৱৰ্তী সময়ত আহত দুজনৰ অৱস্থা সংকটজনক হোৱাৰ বাবে গুৱাহাটীলৈ প্ৰেৰণ কৰা হয়। জানিব পৰা অনুসৰি মৃত্যু হোৱা অভিজিত চুতীয়া ঘৰৰ একমাত্ৰ সন্তান আছিল। অত্যন্ত অমায়িক আৰু নিৰ্জু প্ৰকৃতিৰ যুৱকজনৰ মৃত্যুৱে সমগ্ৰ অঞ্চলটোত শোকৰ ছাঁ পেলায়।

## ঠিকাদাৰ নুৰজামাল হকৰ বিৰুদ্ধে ৰাইজে সাব্যস্ত কৰিলে তীব্ৰ প্ৰতিবাদ

# চেঙাৰ ভাতনাপাইতি চৰত পকী পথ নিৰ্মাণত ব্যাপক দুৰ্নীতি



**ই-সংবাদ, শিমলীতোলা, ২ জানুৱাৰীঃ** বৰপেটা জিলাৰ চেঙা সমষ্টিৰ চৰাঞ্চলৰ ভাতনাপাইতি চৰৰ তিনিকোণীয়া বজাৰৰ পৰা ছয়সীমানা বজাৰলৈ যোৱা মূল পথ নিৰ্মাণত নামত ঠিকাদাৰ নুৰজামাল হকে সংগঠিত কৰা বৃহৎ কেলেংকাৰি, লুণ্ঠনৰাজৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰি ৰাজপথত ওলাই আহে একাংশ স্থানীয় লোক। প্ৰতিবাদকাৰী ৰাইজে নুৰজামাল হক হায় হায়, ৰাস্তাৰ কামত দুৰ্নীতি নচলিব, ৰাস্তাৰ কামত দুৰ্নীতি বন্ধ কৰক আদি শ্ল'গানেৰে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। দুৰ্নীতিগ্ৰস্থ ঠিকাদাৰ নুৰজামাল হকে প্ৰথমৰ পৰাই নিম্নমানৰ সামগ্ৰীৰে কাম কৰি ব্যাপক হাৰত দুৰ্নীতি-অনিয়ম সংঘটিত কৰি আঁচনিৰ ধন লুটি-পুতি খোৱাৰ পৰিকল্পনা কৰিছে বুলি অভিযোগ উত্থাপন কৰে। উল্লেখ্য যে কামৰ আবণ্টন পোৱা দুৰ্নীতিগ্ৰস্থ ঠিকাদাৰ নুৰজামাল হকে পথ নিৰ্মাণৰ সময়ছোৱাত নিম্নমানৰ ৰাউণ্ড পাথৰ, ৫০ শতাংশতকৈ অধিক বালি মিহলোৱা ছেণ্ট গ্ৰেভেল, ছাইডবামত পৰ্যাপ্ত মাটি নিদিয়া বিটুমিনত অধিকাংশই পানী ব্যৱহাৰ কৰাৰ লগতে নিম্নমানৰ প্ৰায় ৫০ শতাংশ বালি মিশ্ৰিত ছেণ্ট গ্ৰেভেল দিয়া বুলি অভিযোগ উত্থাপিত হৈছে। কাৰ্পেটিঙত, য'ত জিৰো আকৃতিৰ পাথৰ ব্যৱহাৰ কৰিব লাগে তাতে ব্যৱহাৰ কৰিছে ডাঙৰ ডাঙৰ আৰু অতি নিম্নমানৰ পাথৰ। সকলোতকৈ ডাঙৰ কথাটো হৈছে নিৰ্মীয়মান কামৰ কোনো ফলক বিচাৰি পোৱা নাই স্থানীয় ৰাইজে।শীঘ্ৰে দুৰ্নীতিগ্ৰস্থ ঠিকাদাৰৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিবলৈ স্থানীয় ৰাইজে মুখ্যমন্ত্ৰী, জিলা আয়ুক্তৰ লগতে বিভাগীয় ঊৰ্ধতম কৰ্তৃপক্ষক দাবী জনাইছে। দুৰ্নীতি ৰোধৰ ক্ষেত্ৰত জিলা লোক নিৰ্মাণ বিভাগৰ দায়িত্ব থকা কাৰ্যবাহী অভিযন্তাগৰাকীয়ে কেনে পদক্ষেপ গ্ৰহণ কৰে সেয়া হ'ব লক্ষণীয়।

# কৃষি বিজ্ঞান কেন্দ্ৰৰ উদ্ভাৱনীমূলক ভ্ৰমণত অংশগ্ৰহণ বাক্সাৰ ৪১কৃষকৰ

**ই-সংবাদ, মুছলপুৰ, ২ জানুৱাৰীঃ** দৰিদ্ৰ সীমাৰেখাৰ তলৰ পৰিয়ালৰ মহিলাসকলক সবলীকৰণ আৰু জীৱিকা বৃদ্ধিৰ বাবে অসম চেণ্টাৰ ফৰ ৰুৰেল ডেভেলপমেণ্ট চমুকৈ এচিআৰডিয়ে সোমবাৰে গ্ৰাম সক্ষম শীৰ্ষক এটা জীৱিকা প্ৰকল্পৰ অধীনত বাক্সা জিলাৰ অন্তৰ্গত আত্মসহায়ক গোটৰ সদস্য তথা কৃষকসকলৰ বাবে উদ্ভাৱনীমূলক ভ্ৰমণ কাৰ্যসূচীৰ আয়োজন কৰে। এছ বি ফাউণ্ডেচনৰ সহযোগত অসম চেণ্টাৰ ফ'ৰ ৰুৰেল ডেভেলপমেণ্টৰ দ্বাৰা আয়োজিত এই জীৱিকাৰ পদক্ষেপৰ অংশ হিচাপে কৃষকসকলক অসম কৃষি বিশ্ববিদ্যালয়ৰ অধীনস্থ কৃষি বিজ্ঞান কেন্দ্ৰলৈ লৈ যোৱা হয়। এই ভ্ৰমণকালত অংশগ্ৰহণকাৰী কৃষকসকলক বিভিন্ন খেতিৰ ব্যৱহাৰিক জ্ঞান, উদ্ভাৱনী কৌশল আৰু মৎস-গাহৰি পালনৰ উত্তম পদ্ধতিসমূহ সম্পৰ্কে অৱগত কৰি তেওঁলোকৰ আয় আৰু জীৱন ধাৰণৰ মান উন্নত কৰাৰ বাবে প্ৰশিক্ষণ প্ৰদান কৰা হয়। এই ভ্ৰমণত বাক্সা জিলাৰ দুৰ্গম গাঁৱৰ পৰা মুঠ ৪১ গৰাকী হিতাধিকাৰীয়ে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰে। কৃষি বিজ্ঞান কেন্দ্ৰৰ প্ৰধান বিজ্ঞানী ড০ ডি এন কলিতা আৰু কৃষি বিজ্ঞান কেন্দ্ৰৰ বিষয় বিশেষজ্ঞ ড০ ইলাক্ষী ডেকাকে ধৰি এদল অভিজ্ঞ পশুপালন বিশেষজ্ঞই প্ৰশিক্ষণ প্ৰদান কৰে। এই কাৰ্যসূচীৰ ওপৰত ভাষণ দি এচিআৰডিৰ সভাপতি নৱজ্যোতি শৰ্মাই কয় যে গ্ৰাম্য পৰিয়ালৰ বাবে অৰ্থনৈতিক স্থিতিশীলতা বৃদ্ধিৰ বাবে আমাৰ প্ৰচেষ্টাৰ এই উদ্ভাৱনীমূলক ভ্ৰমণ এক অবিচ্ছেদ্য অংগ। বাস্তৱ জগতৰ সফলতাৰ কাহিনী প্ৰত্যক্ষ কৰি অংশগ্ৰহণকাৰীসকলে নিজৰ উদ্যোগত আত্মবিশ্বাসেৰে এই পদ্ধতিসমূহ গ্ৰহণ কৰিব পাৰিব। এই কাৰ্যসূচীয়ে জ্ঞান বিনিময়, দক্ষতা-নিৰ্মাণ, আৰু বহনক্ষম কৃষি পদ্ধতিৰ জৰিয়তে গ্ৰাম্য জীৱিকা বৃদ্ধিৰ সহযোগিতামূলক প্ৰচেষ্টা প্ৰতিফলিত কৰে, যাৰ ফলত প্ৰান্তীয় সম্প্ৰদায়সমূহৰ




মাজত দীৰ্ঘম্যাদী অৰ্থনৈতিক বৃদ্ধিৰ সুযোগ সৃষ্টি হ'ব বুলিও তেওঁ উল্লেখ কৰে। প্ৰশিক্ষণকালত এচিআৰডিৰ সভাপতি নৱজ্যোতি শৰ্মা, জ্যেষ্ঠ কাৰ্যবাহী সদস্য প্ৰদীপ্ত প্ৰাণ চাংকাকতী, কাৰ্যবাহী সদস্য ড০ কৃষ্ণ শৰ্মা, বাক্সাৰ প্ৰকল্প বিষয়া সঞ্জীৱ বড়োও উপস্থিত থাকে।

# ৰাঙলু শাখা সাহিত্য সভাৰ প্ৰতিষ্ঠাপক সভাপতি আব্দুল ছামাদ চৌধুৰীৰ দেহাৱসান

**ই-সংবাদ, কামপুৰ, ২ জানুৱাৰীঃ** নৱবৰ্ষৰ পহিলা দিনটোতে নগাঁও জিলাৰ ৰাঙলু শাখা সাহিত্য সভাৰ প্ৰতিষ্ঠাপক সভাপতি আব্দুল ছামাদ চৌধুৰী(৭০)ৰ দেহাৱসান ঘটে। বহুদিন ধৰি শয্যাগত হৈ থকা ছামাদ চৌধুৰীয়ে ২০১৪ বৰ্ষত বৰ্তমানৰ অসম সাহিত্য সভাৰ উপ-সভাপতি পদুম ৰাজখোৱা আৰু জিলা সম্পাদক যতীন্দ্ৰ নাথ সূতৰ নেতৃত্বত নিজকঠীয়াতলী শাখা সাহিত্য সভাৰ প্ৰতিষ্ঠাপক সভাপতি ঘনকান্ত বৰাৰ চেষ্টাৰ ফলত নজিবুৰ ৰহমানক লৈ ৰাঙলু শাখা সাহিত্য সভা প্ৰতিষ্ঠা কৰে। ৰাঙলু শাখা সাহিত্য সভাৰ জৰিয়তে ৰাঙলুত সাহিত্যৰ কঠীয়া পেলোৱা ব্যক্তিজন আজি অজান মুলুকলৈ গুচি গ'ল যদিও শাখাটোৱে আজি নগাঁও জিলা সাহিত্য সভাৰ চোতালখনত এক সুখৰ বতৰা দিবলৈ সক্ষম হৈছে। কালি সন্ধিয়া ৮ বজাত ৰাঙলুৰ শুভাকাংক্ষী আৰু শাখা সাহিত্য সভাৰ সকলো সদস্যকে শোকৰ সাগৰত পেলাই তেওঁ অজান মুলুকলৈ গুচি যায়। এখন ঔষধ বিপণীৰ জৰিয়তে জীৱন সংগ্ৰামত ব্ৰতী হৈ থকা ছামাদে সামাজিক জীৱনত চি পি আই(এম)ৰ আঞ্চলিক সদস্য, গণতান্ত্ৰিক যুৱ ফেডাৰেচনৰ জিলা সদস্য, ৰাঙলু হাইস্কুলৰ প্ৰতিষ্ঠাপক সদস্যৰ লগতে বহু অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত হৈ ৰাইজৰ সেৱা আগবঢ়ায় আহিছিল। তেওঁৰ মৃত্যুত ৰাঙলু স্বৰ্ণ শাখা সাহিত্য, নিজকঠীয়াতলী স্বৰ্ণ শাখা সাহিত্য সভা, নগাঁও জিলা সাহিত্য সভা, ৰাঙলু বজাৰ কমিটি, ৰাঙলু কঠীয়াতলী আঞ্চলিক কৃষক সভা, ৰাঙলু উচ্চ মাধ্যমিক বিদ্যালয়ৰ লগতে অঞ্চলটোৰ বহু অনুষ্ঠান-প্ৰতিষ্ঠানে শোক প্ৰকাশ কৰিছে। ছামাদ চৌধুৰীৰ বিয়োগৰ বাতৰি বিয়পি পৰাৰ লগতে নগাঁও জিলা সাহিত্য সভাৰ সম্পাদক ৰেৱত কুমাৰ হাজৰিকা, নগাঁও জিলা সাহিত্য সভাৰ নৱ-নিৰ্বাচিত সভাপতি ড০ শৰৎ বৰকটকী, অসম সাহিত্য সভাৰ নৱনিৰ্বাচিত উপ-সভাপতি পদুম ৰাজখোৱাই গভীৰ শোক প্ৰকাশ কৰে। আজি ১ বাজি ৩০ মিনিটত অসংখ্য গুণমুগ্ধৰ উপস্থিতত তেওঁৰ জানাজা সম্পন্ন কৰা হয়। মৃত্যুৰ সময়ত তেওঁ পত্নী, এজন পুত্ৰ, দুগৰাকী কন্যা আৰু দুগৰাকী কন্যাৰ সৈতে নাতি-নাতিনীক এৰি থৈ যায়।

# অচিনাক্ত যুৱকৰ মৃতদেহ জে এম চি এইছৰ মৰ্গত

**ই-সংবাদ, পশ্চিম যোৰহাট, ২ জানুৱাৰীঃ** যোৰহাট পুলিচৰ থানাৰ এলেকাভুক্ত ৰাষ্ট্ৰীয় পথৰ কাষত ডেকা গাঁও আলিমূৰত ২৪ অক্টোবৰত এজন যুৱক অচেতন অৱস্থাত পৰি আছিল। যুৱকজনক ১০৮ যোগে যোৰহাট চিকিৎসা মহাবিদ্যালয়ৰ চিকিৎসালয়ত ভৰ্তি কৰোঁৱা হৈছিল। দীৰ্ঘদিন চিকিৎসাধীন অৱস্থাত থকা ২৭ বছৰীয়া অচিনাক্ত যুৱকজনে আজি পুৱা ৫ বজাত চিকিৎসালয়খনতে শেষ নিঃশ্বাস ত্যাগ কৰে। দণ্ডাধীশৰ উপস্থিতিত যুৱকজনৰ মৰণোত্তৰ পৰীক্ষা কৰাৰ পাছত ৭২ ঘণ্টাৰ বাবে মৰ্গত ৰখাৰ ব্যৱস্থা কৰিছে। পৰিয়াল বা আত্মীয়ক চিকিৎসালয় কৰ্তৃপক্ষৰ লগত যোগাযোগ কৰিবলৈ আহ্বান জনোৱা হৈছে।

# অনিৰুদ্ধদেৱৰ তিৰোভাৱ তিথি পালনৰ প্ৰস্তুতি

**ই-সংবাদ, পশ্চিম যোৰহাট, ২ জানুৱাৰীঃ** যোৰহাটৰ বাইপাছৰ কাষৰ সুগন্ধি নগৰস্থিত যোৰহাট জিলা মায়ামৰা সাংস্কৃতিক বিকাশ কেন্দ্ৰ-নামঘৰত অনিৰুদ্ধদেৱৰ ৩৯৮ সংখ্যক তিৰোভাগ তিথি ৯ জানুৱাৰীত পালন কৰা হ'ব। সেইদিনা পুৱাৰে পৰা ক্ৰমে বন্তি প্ৰজ্বলন, ভাগৱত পাঠৰ পাছতে ১১ বজাৰ পৰা ঘনশ্যাম চন্দ্ৰদেৱ গোস্বামীৰ পৰিচালনাত অনিৰুদ্ধ দেৱৰ সৃষ্টিৰাজি আৰু কলা সংস্কৃতি বিষয়ত আলোচনা চক্ৰ অনুষ্ঠিত হ'ব। গায়ন-বায়ন প্ৰদৰ্শনৰ পাছতে হৰিজীসকলে ঘোষা আৰু নাম পৰিৱেশন কৰিব। সভাপতি ড০ সূৰ্য্যেন্দ্ৰ নাথ বৰুৱাই অনুষ্ঠানত ৰাইজৰ উপস্থিতি কামনা কৰিছে।

# শিল্পী দিৱসত সমবেত সংগীত প্ৰতিযোগিতা

**ই-সংবাদ, পশ্চিম যোৰহাট, ২ জানুৱাৰীঃ** সাংস্কৃতিক বিকাশ মঞ্চ যোৰহাট, অসমে ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ স্মৃতি দিৱসৰ লগতে ৰাজ্যিক ভিত্তিত সমবেত সংগীত প্ৰতিযোগিতাৰ আয়োজন কৰিছে। যোৰহাট আৱৰ্ত ভৱনৰ সমীপৰ মহাপুৰুষ শংকৰদেৱ কলা-কৃষ্টি গৱেষণা কেন্দ্ৰৰ প্ৰেক্ষাগৃহত ১৭ জানুৱাৰীৰ পুৱা ১০.৩০ বজাৰ পৰা জ্যোতিপ্ৰসাদ আগৰৱালাৰ ৰচিত গীতৰ সমবেত সংগীত প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। একোটা দল ৫-৮ জনৰ ভিতৰত হ'ব লাগিব। বয়স ১৪ বছৰৰ ওপৰৰ হ'ব লাগিব। বিজয়ী দলক নগদ ধন, ট্ৰফী আৰু মানপত্ৰ প্ৰদান কৰা হ'ব। আগ্ৰহীসকলে ৯৬৭৮১-৫৩৭২৩, ৯৪৩৫০-৫৩০৪৮ ত যোগাযোগ কৰিলে সবিশেষ জানিব পাৰিব।

# ধলা গোহাঁই গাঁৱত ভয়ংকৰ পথ দুৰ্ঘটনা

**ই-সংবাদ, ডুমডুমা, ২ জানুৱাৰীঃ** তিনিচুকীয়া জিলাৰ তালাপ আৰক্ষী চকী (ডুমডুমা আৰক্ষী থানা)ৰ অন্তৰ্গত ধলা গোহাঁই গাঁৱত আজি বিয়লি সংঘটিত এক ভয়ংকৰ পথ দুৰ্ঘটনাত তিনিজন যুৱক গুৰুতৰভাৱে আহত হয়। ঘটনাৰ বিৱৰণী অনুসৰি, ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা অইল ইণ্ডিয়াৰ নিংচি সোণাৰি তেলখাদৰ দিশলৈ যোৱা এটা কেঁকুৰিত তীব্ৰ গতিত থকা এ এছ-২৩ এ জে-৫৫৮৯ নম্বৰৰ টি ভি এছ বাইকখনে নিয়ন্ত্ৰণ হেৰুৱাই পথাৰৰ মাজত সোমাই পৰাত চালকসহ ধলা ন-বৰমুৰা আৰু চিচিনী গাঁৱৰ তিনি যুৱক ক্ৰমে সনাতন উৰাং, ৰাজেশ খাৰিয়া আৰু টুনু উৰাং গুৰুতৰভাৱে আহত হয়। ঘটনাৰ খবৰ পাই তালাপ আৰক্ষী চকীৰ এটি আৰক্ষীৰ দল ঘটনাস্থলীত উপস্থিত হৈ চিকিৎসাৰ বাবে ডুমডুমা এফ আৰ ইউ চিকিৎসালয়লৈ প্ৰেৰণ কৰাৰ লগতে দুৰ্ঘটনাগ্ৰস্ত বাইকখন উদ্ধাৰ কৰে। প্ৰাথমিক চিকিৎসাৰ অন্তত গুৰুতৰভাৱে আহত তিনি যুৱকক উন্নত চিকিৎসাৰ বাবে মাকুমস্থিত তিনিচুকীয়া চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰা হয়।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

# তামুলপুৰ জিলা চৰকাৰী এন পি এছ কৰ্মচাৰী সংস্থাৰ প্ৰথম দ্বিবাৰ্ষিক অধিৱেশন

**ই-সংবাদ, তামুলপুৰ, ২ জানুৱাৰীঃ** সদৌ অসম চৰকাৰী এন পি এছ কৰ্মচাৰী সংস্থাৰ অধীনৰ তামুলপুৰ জিলা সমিতিৰ প্ৰথম দ্বিবাৰ্ষিক অধিৱেশনখনি অহা ৫ জানুৱাৰীত তামুলপুৰ মহাবিদ্যালয়ত দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত কৰিবলৈ ব্যাপক প্ৰস্তুতি চলোৱা হৈছে। তামুলপুৰ জিলা চৰকাৰী এন পি এছ কৰ্মচাৰী সংস্থাৰ সভাপতি কবিন চন্দ্ৰ বড়ো আৰু ভাৰপ্ৰাপ্ত সম্পাদক নৰেন ৰাজবংশীয়ে জনোৱা মতে, আটাইবোৰ কাৰ্যসূচী সুচাৰুৰূপে পৰিচালনা কৰাৰ অৰ্থে মুনিন্দ্ৰ তালুকদাৰক সভাপতি আৰু গৌতম চন্দ্ৰ কলিতাক মুখ্য আহ্বায়ক হিচাপে লৈ এখন অভ্যৰ্থনা সমিতি গঠন কৰা হৈছে। কাৰ্যসূচী অনুসৰি সিদিনা পুৱা ৯ বজাত পতাকা উত্তোলন কৰিব কবিন চন্দ্ৰ বড়োৱে। পুৱা ৯.৩০ বজাত স্মৃতি তৰ্পণ কাৰ্যসূচী ৰূপায়ণ কৰিব পশ্চিম তামুলপুৰ উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক শ্ৰীপতি বৰা আৰু কুমাৰীকাটা ছোৱালী উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক প্ৰদীপ বায়নে। পুৱা ১০ বজাত প্ৰতিনিধি সভা উদ্বোধন কৰিব তামুলপুৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ যোগেন বড়োৱে। দিনৰ ১ বজাত অনুষ্ঠিতব্য মুকলি সভাখন উদ্বোধন কৰিব বিটিআৰ প্ৰধান প্ৰমোদ বড়োৱে। বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব তামুলপুৰৰ বিধায়ক জলেন দৈমাৰী, তামুলপুৰ জিলাৰ আয়ুক্ত পংকজ চক্ৰৱৰ্তী আৰু বিটিআৰৰ মনোনীত সদস্য হেমন্ত কুমাৰ ৰাভাই। সভাখনত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব সদৌ অসম চৰকাৰী এন পি এছ কৰ্মচাৰী সংস্থাৰ সভাপতি অচ্যুতানন্দ হাজৰিকাই। সভাত নিৰ্দিষ্ট বক্তাৰ ভাষণ আগবঢ়াব সদৌ অসম মুৰব্বী বিভাগীয় আমোলা সন্থাৰ সভাপতি গুণাৰাম গগৈ আৰু সদৌ অসম জিলা প্ৰশাসন কৰ্মচাৰী সন্থাৰ যুটীয়া সম্পাদক ৰমেন বৰ্মনে। ইপিনে, সভাখনত সদৌ অসম চৰকাৰী এন পি এছ কৰ্মচাৰী সংস্থাৰ উপ সভাপতি মচিউজ জামান, সম্পাদক অপূৰ্ব শৰ্মা আৰু কোষাধ্যক্ষ আব্দুল ৰফ আহমেদে আমন্ত্ৰিত অতিথি হিচাপে অংশগ্ৰহণ কৰিব।



খাৰুপেটীয়াৰ পাচলি বজাৰৰ এটি দৃশ্য

## ৰূপালী জয়ন্তী বৰ্ষ উদযাপনৰ উদ্বোধনী অনুষ্ঠানত অংশগ্ৰহণ গোহাঁইৰ

# ডুমডুমা জাতীয় বিদ্যালয়ত দক্ষিণ আফ্ৰিকাত কৰ্মৰত আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন বিজ্ঞানী ড০ মুকুট গোঁহাই

**ই-সংবাদ, ডুমডুমা, ২ জানুৱাৰীঃ** তিনিচুকীয়া জিলাৰ চাহ নগৰী ডুমডুমাৰ সমীপৰ বিছাজানস্থিত তথা বৃহত্তৰ ডুমডুমা অঞ্চলৰ অগ্ৰণী শিক্ষানুষ্ঠান ডুমডুমা জাতীয় বিদ্যালয়ৰ ৰূপালী জয়ন্তী বৰ্ষ উদযাপনৰ উদ্বোধনী অনুষ্ঠান বুধবাৰে অনুষ্ঠিত হৈ যায়। বিদ্যালয়ৰ ৰূপালী জয়ন্তী উদযাপন-২০২৫ ৰ লগত সংগতি ৰাখি অনুষ্ঠিত হোৱা আৰম্ভণি আৰু সম্বৰ্ধনা অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে দক্ষিণ আফ্ৰিকাৰ ইউনিভাৰ্ছিটি অফ দ্যা ফ্ৰী ষ্টেটৰ বিজ্ঞানী আৰু কেমিকেল প্ৰচেছ টেকন'লজিছ লিমিটেডৰ পৰিচালক তথা গৱেষণা আৰু উন্নয়ন বিভাগৰ জ্যেষ্ঠ মুৰব্বী বিজ্ঞানী হিচাপে কৰ্মৰত তথা আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন বিজ্ঞানী ড০ মুকুট গোহাঁই। বিজ্ঞানীগৰাকীয়ে তেওঁৰ ভাষণত মাধ্যম কেতিয়াও সফলতাৰ অন্তৰায় হ'ব নোৱাৰে বুলি তাৎপৰ্যপূৰ্ণ মন্তব্য কৰাৰ লগতে জাতীয় বিদ্যালয়সমূহে অসমত ভাষাৰ সংকট আহি পৰাৰ সময়ত জাতি তথা ভাষা সুৰক্ষাৰ ক্ষেত্ৰত বিশেষ ভূমিকা লৈছে বুলি কোৱাৰ লগতে অসমীয়া ভাষাই ধ্ৰুপদী ভাষাৰ স্বীকৃতি লাভ কৰাৰ ক্ষেত্ৰত জাতীয় বিদ্যালয়সমূহৰ অৰিহণা অধিক বুলিও মন্তব্য কৰে। ৰূপালী জয়ন্তী বৰ্ষ উদযাপন-২০২৫ উপলক্ষে পুৱা ১০.০০ বজাত পতাকা উত্তোলন কৰে বিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সভাপতি তথা বিশিষ্ট সমাজকৰ্মী অৰ্জুন বৰুৱাই। স্মৃতি তৰ্পণ কৰে ডুমডুমা পৌৰসভাৰ প্ৰাক্তন পৌৰপতি দুলু আৰৰুৱাই। দিনৰ এঘাৰ বজাত বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ সমবেত সংগীতেৰে আৰম্ভ হোৱা অনুষ্ঠানটিত উদ্বোধনী ভাষণ আগবঢ়ায় তিনিচুকীয়া জিলা জাতীয় বিদ্যালয় সমন্বয়ৰক্ষী সমিতিৰ সভাপতি সোমেশ্বৰ মৰাণে। আদৰণি ভাষণ প্ৰদান কৰে বিদ্যালয়খনৰ অধ্যক্ষা সুৰভি মৰাণে। বিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সহঃ সম্পাদক তথা বিশিষ্ট সাংবাদিক অভিজিৎ খাটনিয়াৰে আঁত ধৰা অনুষ্ঠানত সমাজকৰ্মী তথা নিৰন্ধকাৰ ফটিক চন্দ্ৰ নেওগৰ উপৰি ভালেকেইগৰাকী বিশিষ্ট তথা গণ্য-মান্য লোক উপস্থিত থাকে। উক্ত অনুষ্ঠানতেই বিজ্ঞানী ড০ মুকুট গোঁহাইৰ লগতে শেহতীয়াকৈ অসম চৰকাৰৰ সাহিত্য বঁটা লাভ কৰা সু-সাহিত্যিক শৰৎ চন্দ্ৰ চিৰিং ফুকন আৰু সাদিন-প্ৰতিদিনৰ ২০২৪ বৰ্ষৰ শ্ৰেষ্ঠ সাংবাদিক বঁটা লাভ কৰা ডুমডুমাৰ বিশিষ্ট সাংবাদিক মনোজ দত্তক বিশেষ সম্বৰ্ধনা জনোৱা হয়। লগতে বিদ্যালয়খনৰ প্ৰতিষ্ঠাৰ প্ৰথম দিনটোৰ পৰাই সেৱা আগবঢ়াই অহা কৰ্মচাৰী দীনেশ কুমাৰ ডেকাকো এখনি ফুলাম গামোচাৰে বিশেষ সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানত বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে আকৰ্ষণীয় দিহানাম, সমবেত সংগীত আৰু নৃত্য পৰিৱেশনেৰে অনুষ্ঠানটি জীপাল কৰি তোলে। অনুষ্ঠানত বিদ্যালয়খনৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকেও অংশগ্ৰহণ কৰে।

---

# কৰ্মসংস্থাপনৰ উদ্দেশ্যে কেৰালালৈ যোৱা মৈৰাবাৰীৰ লোচনাৱৰীৰ যুৱক নিৰুদ্দেশ

**ই-সংবাদ, মৈৰাবাৰী, ২ জানুৱাৰীঃ** মৰিগাঁও জিলাৰ মৈৰাবাৰী আৰক্ষী থানাৰ অন্তৰ্গত লোচনাৱৰী গাঁৱৰ এজন ২৪ বছৰীয়া যুৱক নিৰুদ্দেশ হোৱাৰ বাতৰিয়ে চাঞ্চল্যৰ সৃষ্টি কৰিছে। পৰিয়ালৰ একমাত্ৰ উপাৰ্জনকাৰী জিয়াবোৰ ৰহমান নামৰ যুৱকজন ৯ মাহ পূৰ্বে কেৰেলালৈ কৰ্মসংস্থাপনৰ উদ্দেশ্যে ওলাই গৈছিল। যাত্ৰা কৰা সময়ত ট্ৰেইনেত থকা সময়ত দুদিন মাতৃৰ লগত ঠিকেই যোগাযোগ কৰিছিল। কিন্তু দুদিন পিছতে যুৱকজনৰ ম'বাইল ফোন অফ হয় আৰু আজি পৰ্যন্ত যুৱকজনৰ লগত মাতৃয়ে কোনো ধৰণৰ যোগাযোগ কৰিব পৰা নাই। অতি দৰিদ্ৰ, অসহায় মাতৃৰ চোৰা-চিতা কৰা যুৱক জিয়াবোৰ ৰহমান হৈছে পৰিয়ালৰ একমাত্ৰ উপাৰ্জনকাৰী। প্ৰথম অৱস্থাত যুৱকজন ঘৰলৈ উভতি আহিব বুলি আশাৰে থকাৰ পিছত আজি বৃদ্ধ মাতৃগৰাকী কাষ চাপে মৈৰাবাৰী আৰক্ষীৰ লগতে সংবাদ মাধ্যমৰ। যদি কোনো সদাহয় ব্যক্তিয়ে যুৱকজনৰ সন্ধান লাভ কৰে তেন্তে মৈৰাবাৰী আৰক্ষী থানা বা 8822788458 নম্বৰত যোগাযোগ কৰিবলৈ অসহায় মাতৃয়ে অনুৰোধ জনাইছে।

---

# চকলাঘাটৰ ব্ৰাহ্মণগাঁও চাৰিআলিত ৪, ৫ জানুৱাৰীত নাট্যভ্ৰামক প্ৰণৱ শৰ্মা সোঁৱৰণী নাট্য সন্ধ্যা

**ই-সংবাদ, বেবেজীয়া, ২ জানুৱাৰীঃ** নগাঁও জিলাৰ অন্যতম অগ্ৰণী সাংস্কৃতিক অনুষ্ঠান 'নাট্যভ্ৰামক প্ৰণৱ শৰ্মা সোঁৱৰণী নাট্য মঞ্চ'ৰ উদ্যোগত বিগত বৰ্ষবোৰৰ দৰে এইবাৰো ৰাইজৰ মাজত নাট্যচৰ্চাৰ বাৰ্তা বহনেৰে গ্ৰামাঞ্চলৰ প্ৰতিভাৱান শিল্পীসকলক উৎসাহ যোগোৱাৰ লক্ষ্যৰে 'নাট্যভ্ৰামক প্ৰণৱ শৰ্মা সোঁৱৰণী নাট্য সন্ধ্যা'ৰ আয়োজন কৰা হৈছে। অহা ৪ আৰু ৫ জানুৱাৰীত ব্যয়বহুলভাৱে দুদিনীয়াকৈ আয়োজিত এই নাট্য সন্ধ্যা চকলাঘাটৰ ব্ৰাহ্মণগাঁও চাৰিআলিস্থিত শংকৰদেৱ শিশু বিদ্যা নিকেতনৰ সমীপত অনুষ্ঠিত হ'ব। এইবাৰ নাট্যভ্ৰামক 'প্ৰণৱ শৰ্মা সোঁৱৰণী নাট্য সন্ধ্যা'ত দুখন নাট মঞ্চস্থ কৰা হ'ব। প্ৰথম দিনা সন্ধিয়া ৬ বজাৰ পৰা স্বনামধন্য নাট্যকাৰ অভিজিৎ ভট্টাচাৰ্যৰ ৰচিত আৰু সুদক্ষ নাট্যকৰ্মী অজয় বৰঠাকুৰৰ পৰিচালনাৰে 'মোৰ কেঁচুৱাই কান্দিছে' আৰু দ্বিতীয় দিনা সন্ধিয়া ৬ বজাৰ পৰা জনপ্ৰিয় নাট্যকাৰ পল্লৱ পৱনৰ ৰচিত আৰু ঋতুৰাজ বৰঠাকুৰৰ পৰিচালনাত 'ৰাজকণ্যা' প্ৰদৰ্শন কৰা হ'ব। সেয়ে এই নাট্য সন্ধ্যা সুচাৰুৰূপে অনুষ্ঠিত কৰাৰ অৰ্থে উদ্যোক্তা মঞ্চৰ কৰ্মকৰ্তাসকলে বেছ তৎপৰতাৰে প্ৰয়োজনীয় প্ৰস্তুতি অব্যাহত ৰাখিছে। বৰ্তমান পূৰ্ণগতিত আখৰা চলাই থকা নাট দুখন উপভোগ কৰি উৎসাহিত কৰিবলৈ নাট্যপ্ৰেমী ৰাইজক 'নাট্যভ্ৰামক প্ৰণৱ শৰ্মা সোঁৱৰণী নাট্য মঞ্চ'ই আহ্বান জনাইছে।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

# বৰপাম অসম আদৰ্শ বিদ্যালয় বৰপামত প্ৰতিষ্ঠা দিৱস

**ই-সংবাদ, বিশ্বনাথ, ২ জানুৱাৰীঃ** উত্তৰ চতিয়াৰ অগ্ৰণী শিক্ষানুষ্ঠান অসম আদৰ্শ বিদ্যালয় বৰপামত দিনজোৰা কাৰ্যসূচীৰে পঞ্চম বাৰ্ষিক প্ৰতিষ্ঠা দিৱস পালন কৰা হয়। প্ৰাক্তন প্ৰধানমন্ত্ৰী ডঃ মনমোহন সিঙৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰাৰ পাছত দিহা নামেৰে শুভাৰম্ভ হোৱা মূল সভাত সভাপতিত্ব কৰে বিশিষ্ট সমাজকৰ্মী গোপাল দাসে। বিদ্যালয়খনৰ ছাত্ৰ সংসদৰ অধ্যক্ষা পূৰ্ণিমা বৰমূদৈয়ে উদ্দেশ্য ব্যাখ্যা আৰু সঞ্চালক নৃপেন বৰদলৈয়ে আদৰণি ভাষণ প্ৰদান কৰে। আদৰণি ভাষণত সঞ্চালক বৰদলৈয়ে অভিভাৱকসকলক। ওপৰত তীক্ষ্ণ দৃষ্টি ৰাখিবলৈ পৰামৰ্শ প্ৰধান শিক্ষয়িত্ৰী বৰ্ণালী কুৰ্মীয়ে বিদ্যালয়ৰ প্ৰতিবেদন পাঠ কৰে। বিশিষ্ট লেখিকা মীনাক্ষী দেৱীয়ে বিদ্যালয়ৰ প্ৰাচীৰ পত্ৰিকা 'জোনাকী'ৰ তৃতীয় সংখ্যা উন্মোচন কৰাৰ সমান্তৰালকৈ কবি বিশ্বজিৎ সুতেও বিদ্যালয়ৰ হাতেলিখা আলোচনী 'জোনাক' উন্মোচন কৰে। এইধৰণৰ হাতেলিখা আলোচনী প্ৰকাশে ছাত্ৰ-ছাত্ৰীসকলৰ সৃষ্টিশীল প্ৰতিভা জাগ্ৰত কৰে বুলি উল্লেখ কৰে সুতে। সভাত মঞ্জিত বসুমতাৰী সোঁৱৰণী বৰ্ষশ্ৰেষ্ঠ শিক্ষাৰ্থী বঁটা খুচী ঘাটোৱাৰ, বৰ্ষশ্ৰেষ্ঠ খেলুৱৈ মহিলা শিতানত কৃষ্ণাংগী ফুকন, বৰ্ষশ্ৰেষ্ঠ খেলুৱৈ পুৰুষৰ সন্মান ছাত্ৰ-ছাত্ৰীৰ ঘৰুৱা পৰিৱেশৰভাৰ্গৱ মাহাতী, বৰ্ষশ্ৰেষ্ঠ পঢ়ুৱৈ ক্ৰমে ইনাক্ষী বৰদলৈ আৰু টুমনজ্যোতি মহন্তক প্ৰদান কৰাৰ লগতে নিয়মীয়া উপস্থিত শিক্ষাৰ্থী বঁটা লাভ কৰে ৰাকেশ ভূমিজে। ইয়াৰ উপৰি বিদ্যালয় সপ্তাহৰ লগত সংগতি ৰাখি ছাত্ৰ-ছাত্ৰীসকলৰ মাজত অনুষ্ঠিত হোৱা প্ৰতিযোগিতাসমূহৰ বঁটা প্ৰদান কৰা হয়। অনুষ্ঠানৰ বিশিষ্ট অতিথি হিচাপে চেঙামাৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক দেবকী ভাণ্ডাৰী, ৰিপুঞ্জয় বৰদলৈ, বিশিষ্ট সমাজকৰ্মী মণিকা দত্ত হাজৰিকাকে ধৰি কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

# মেডাম-মে-ফিৰ দিনটোত চতিয়াস্থিত মূলাগাভৰু মৈদামত মঞ্চস্থ হ'ব 'বীৰংগনা মূলাগাভৰু' শীৰ্ষক নাট

**ই-সংবাদ, চতিয়া, ২ জানুৱাৰীঃ** অহা ৩১ জানুৱাৰীত আহোমসকলৰ পবিত্ৰ উৎসৱ মেডাম-মে-ফি। সেই উপলক্ষে বিশ্বনাথ জিলাৰ চতিয়াৰ চলাহোলাস্থিত মূলাগাভৰু মৈদামত পূৰ্বাঞ্চল টাই সাহিত্য সভা আৰু চতিয়াবাসী ৰাইজৰ সহযোগত ৩১ জানুৱাৰীত জাকজমকতাৰে অনুষ্ঠিত হ'ব মেডাম-মে-ফি, য'ত উপস্থিত থাকিব অসমৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ লগতে অসমৰ কেইবাগৰাকীও ইতিহাসবিদ, গৱেষক। মেডাম-মে-ফিৰ দিনটোত বিশিষ্ট নাট্যকাৰ নীলমণি সন্দিকৈৰ ৰচনা আৰু পৰিচালনাৰে মঞ্চস্থ কৰা হ'ব 'বীৰংগনা মূলাগাভৰু' শীৰ্ষক নাটক। আজি চতিয়াৰ জ্ঞান ভাৰতী স্কুলৰ সভা কক্ষত মাংগলিকভাৱে নাটকখনৰ শুভ মহুৰত অনুষ্ঠিত হয়। বিশিষ্ট চিন্তাবিদ, লেখক-গৱেষক কৰুণা হাতী বৰুৱাই বন্তি প্ৰজ্বলনৰে নাটকখন মুকলি কৰে। অনুষ্ঠানত বিশিষ্ট সাংবাদিক আনন্দ সন্দিকৈ, শিল্পী অনুপ বৰুৱা, সমাজকৰ্মী চিত্ৰৰঞ্জন বৰুৱা, লুকুমণি বৰুৱা আৰু জ্ঞান ভাৰতী স্কুলৰ সঞ্চালক ৰাজীৱ বৰুৱা উপস্থিত থাকে।

# চন্দ্ৰপুৰ সাহিত্য সভাৰ উদ্যোগত অম্বিকাগিৰী ৰায়চৌধুৰীৰ ৫৭ সংখ্যক মৃত্যু তিথি

**ই-সংবাদ, গুৱাহাটী, ২ জানুৱাৰীঃ** আজি কামৰূপ মহানগৰ জিলা সাহিত্য সভাৰ অন্তৰ্গত তথা অসম সাহিত্য সভাৰ অন্যতম সক্ৰিয় শাখা চন্দ্ৰপুৰ সাহিত্য সভাৰ ৩৯ সংখ্যক প্ৰতিষ্ঠা দিৱস আৰু 'অসম কেশৰী' অম্বিকাগিৰী ৰায়চৌধুৰীৰ ৫৭ সংখ্যক মৃত্যু তিথি চন্দ্ৰপুৰ সাহিত্য সভাৰ স্থায়ী ভৱনত উদযাপন কৰা হয়। পুৱা অসম সাহিত্য সভাৰ পতাকা উত্তোলন কৰে শাখা সভাৰ সভাপতি হিৰণ্য কুমাৰ ডেকাই। ইয়াৰ পিছত অম্বিকাগিৰী ৰায়চৌধুৰী আৰু প্ৰয়াত শিল্পী কাৰ্তিক ৰাম টুমুঙৰ স্থিৰচিত্ৰত বন্তি প্ৰজ্বলন আৰু পুষ্পাৰ্ঘ্য অৰ্পণ কৰে ক্ৰমে শাখা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি জগন্নাথ ৰাজবংশী আৰু মাধৱী কাথাৰে। দিনৰ বাৰ বজাত আড়ম্বৰপূৰ্ণ পৰিৱেশৰ মাজত চন্দ্ৰপুৰ সাহিত্য সভাৰ মুখপত্ৰ 'চন্দ্ৰাৱলী'(অষ্টম সংখ্যা) উন্মোচন কৰা হয়। ভুৱনেশ্বৰ ৰাজবংশীসভাপতি আৰু ভোজৰাজ চেত্ৰী সম্পাদিত মুখপত্ৰখনি উন্মোচন কৰি অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহ সদস্য তথা সাংবাদিক-লেখক দীপক শৰ্মাই কয় যে এখন আলোচনী বা মুখপত্ৰই




একোটা অঞ্চলৰ সম্পদ। মুখপত্ৰ এখনে ইতিহাস ধৰি ৰাখে। ভৱিষ্যতৰ বাবে গৱেষকৰ সমল হয়। বৰ জটিল সন্ধিক্ষণত আমি উপনিত হৈছো। কবিতা লিখিও জে'লত যাব লগীয়া হৈছে। কবিতাৰেও সমাজ সংশোধন কৰিব পাৰি। চৰকাৰ সলাব পাৰি। চন্দ্ৰপুৰৰ পৰা ভূপেন হাজৰিকা, মামণি ৰয়ছম গোস্বামী, নীলমণি ফুকন, ৰীমা দাস, হীমা দাস সৃষ্টি কৰিবৰ বাবে শাখা সাহিত্য সভাই উদ্যোগ লওক। অনুষ্ঠানত বিশিষ্ট নাগৰিক গণেশ ৰাজবংশী, শিক্ষাজগতৰ পুৰোধা ব্যক্তি, সাহিত্যিক খগেন্দ্ৰ নাথ দাসৰ পত্নী কনকলতা দাস, চন্দ্ৰপুৰ সাহিত্য সভাৰ প্ৰতিষ্ঠাপক সভাপতি/সম্পাদক ক্ৰমে ধীৰাজ দাস, গীৰিন্দ্ৰ নাথ ডেকা, প্ৰাক্তন সভাপতি ক্ৰমে বিষ্ণুৰাম ডেকা, ভৱেন্দ্ৰ নাথ ডেকা, উপেন দৈমাৰী, ৰতিকান্ত সাউদ, প্ৰফুল্ল তালুকদাৰ, অনন্ত কলিতা আৰু ভুৱনেশ্বৰ ৰাজবংশীয়ে অংশগ্ৰহণ কৰে। ইয়াৰ পিছত প্ৰয়াত কাৰ্তিক ৰাম টুমুঙৰ সোঁৱৰণত লোক-গীতৰ মনোৰম অনুষ্ঠান উদ্বোধন কৰে কামৰূপী লোকগীতৰ স্বনামধন্য তথা অনাতাঁৰ শিল্পী স্নেহলতা দাসে। শাখা সভাৰ সম্পাদক হেমন্ত কলিতা, মৃদুল দাসে আঁত ধৰা অনুষ্ঠানত লক্ষী কলিতা, সুৰেশ কলিতা, গোবিন্দ কলিতা, দীনেশ কলিতা, কিৰণ কলিতা, কিৰণ দাস, নিৰিবিলি ডেকা, নাৰায়ণ টেৰণ, লোপামুদ্ৰা দাস, মামনি মিত্ৰ, মুকুল গোস্বামী, লীলা ঠাকুৰীয়া, ধীৰেন বসুমতাৰী, নেহা মোদক, ৰতিকান্ত সাউদে কামৰূপী লোকগীত পৰিৱেশন কৰি অনুষ্ঠানটি প্ৰাণৱন্ত কৰি তোলে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

# ৰঙিয়াৰ তুলসীবাৰী গৰখীয়া গোপাল মাৰলী থানৰ ৪১ সংখ্যক বাৰ্ষিক উৎসৱৰ লাইখুঁটা স্থাপন

**ই-সংবাদ, ৰঙিয়া, ২ জানুৱাৰীঃ** ৰঙিয়াৰ তুলসীবাৰীস্থিত অন্যতম আধ্যাত্মিকস্থলী শ্ৰী শ্ৰী গৰখীয়া গোপাল মাৰলী থানৰ অহা ২৫ জানুৱাৰীৰ পৰা তিনিদিনীয়াকৈ অনুষ্ঠিত হ'ব লগা ৪১ সংখ্যক বাৰ্ষিক উৎসৱ তথা প্ৰাণ প্ৰতিষ্ঠা দিৱস উপলক্ষে আজি মূল মণ্ডপৰ লাইখুঁটা স্থাপন কাৰ্যসূচী ৰূপায়ণ কৰা হয়। আধ্যাত্মিক তথা মাংগলিক পৰিৱেশেৰে অনুষ্ঠিত কৰা কাৰ্যসূচীত ৰঙিয়া সমজিলা আয়ুক্ত দেৱাশীষ গোস্বামীয়ে অংশগ্ৰহণ কৰি লাইখুঁটা স্থাপন কৰে। উদযাপন সমিতিৰ সভাপতি অচ্যুত চন্দ্ৰ কেওট আৰু সাধাৰণ সম্পাদক সঞ্জয় কলিতা প্ৰমুখ্যে উদযাপন সমিতিৰ বিষয়ববীয়াসকলৰ তত্ত্বাৱধানত ৰূপায়িত কাৰ্যসূচীৰ প্ৰাৰম্ভিকতে লাইখুঁটা স্থাপকগৰাকীক আদৰণি জনোৱা হয়। অঞ্চলটোৰ কেবা শতাধিক ভক্ত প্ৰাণ লোকে হৰিনাম বন্দনাৰে মুখৰিত আধ্যাত্মিক পৰিৱেশেৰে শোভাযাত্ৰাৰে থান প্ৰাংগণলৈ লাইখুঁটা কঢ়িয়া আনে। ইয়াৰ পিছতে সুবিশাল মাৰলী থান ভূমিত ধৰ্মীয় ৰীতি-নীতি অনুসৰণ কৰি লাইখুঁটা স্থাপন কৰা হয়। ইফালে, লাইখুঁটা স্থাপন কৰি সমবেত ধৰ্মপ্ৰাণ ৰাইজক উদ্দেশ্যি আগবঢ়োৱা ভাষণ প্ৰসংগত ঐতিহ্যমণ্ডিত গৰখীয়া গোপাল মাৰলী থানৰ পৰম্পৰাগত বাৰ্ষিক উৎসৱটি সমন্বয়ৰ নিদৰ্শন হৈ ৰ'ব বুলি আশা প্ৰকাশ কৰে সমজিলা আয়ুক্তগৰাকীয়ে।

# বৰমাত এৰী সূতা উৎপাদন কৰা কাৰখানা উদ্বোধন

**ই-সংবাদ, বৰমা, ২ জানুৱাৰীঃ** মহিলা সৱলীকৰণৰ ক্ষেত্ৰত বিটিআৰ চৰকাৰে এক নতুন পদক্ষেপ গ্ৰহণ কৰে। নতুন বছৰৰ দ্বিতীয় দিনটোতে বাক্সা জিলাৰ বৰমাৰ খাৰুৱাত থকা হস্ততাত বস্ত্ৰ ইন্টিগ্ৰেটেড পাৰ্ক চৌহদত উদ্বোধন কৰা হয় এৰি সূতা উৎপাদন কৰা কাৰখানা। পাট-মুগাৰ মেখেলাচাদৰ, আৰনাই, গামোচা, দখনা উৎপাদন কেন্দ্ৰটোত নতুন বছৰৰ দ্বিতীয় দিনটোত বিটিআৰ প্ৰধান প্ৰমোদ বড়োই মুকলি কৰে এৰি সূতা উৎপাদন কাৰখানা। গ্ৰাম্যাঞ্চলৰ মহিলাসকলক অৰ্থনৈতিকভাৱে স্বাৱলম্বী কৰাৰ কাৰণে মহিলাসকলে ঘৰতে উৎপাদন কৰা এৰী পলু ককুন(লেতা) সংৰক্ষণ কৰি বাক্সাৰ খাৰুৱা হস্ততাত আৰু বস্ত্ৰ উদ্যোগত মজুত কৰি এৰি সূতা উৎপাদন কৰাৰ কাৰণে নিৰ্মাণ কৰে এৰি সূতা উৎপাদন কাৰখানা। প্ৰায় ১৪ কোটি ৯ লাখ টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা কাৰখানাটোত সম্প্ৰতি দৈনিক দুশ কেজি এৰী সূতা উৎপাদন কৰিব বুলি বিটিআৰ প্ৰধান প্ৰমোদ বড়োৱে জানিবলৈ দিয়ে। অনুষ্ঠানটোত বৰমা বিধানসভা সমষ্টিৰ বিধায়ক ভূপেন বড়ো, বিটিচি কাৰ্যবাহী সদস্য ৰাকেশ ব্ৰহ্ম, হস্ততাঁত বস্ত্ৰ বিভাগৰ কাৰ্যবাহী সদস্য ধনঞ্জয় বসুমতাৰীকে ধৰি কেবাগৰাকী বিষয়া উপস্থিত থাকে।

# গোলাঘাটৰ চিনাতলীত অৰণ্যম ট্ৰাষ্টৰ উদ্যোগত সদৌ অসম ভিত্তিত ভাওনা প্ৰতিযোগিতা

**ই-সংবাদ, খুমটাই, ২ জানুৱাৰীঃ** গোলাঘাটৰ চিনাতলীত জনপ্ৰিয় স্বেচ্ছাসেৱী অনুষ্ঠান অৰণ্যম ট্ৰাষ্টৰ উদ্যোগত আৰু স্থানীয় ৰাইজৰ সহযোগত অনুষ্ঠিত হৈছে চতুৰ্থ সংখ্যক সদৌ অসম ভিত্তিত ভাওনা প্ৰতিযোগিতা। গুৰুজনাৰ অপূৰ্ব সৃষ্টি ভাওনাৰ সংলাপ আৰু খোল-তালৰ শব্দৰ গুঞ্জৰনত মুখৰিত হৈ পৰিছে চিনাতলীৰ শংকৰ মাধৱ ক্ষেত্ৰ। ২০ ডিচেম্বৰৰ পৰা আৰম্ভ হোৱা আৰু ৫ জানুৱাৰীলৈকে চলিব লগা এই ভাওনা প্ৰতিযোগিতাত অসমৰ বিভিন্ন প্ৰান্তৰ ৩৩ টাকৈ ভাওনা দলে অংশগ্ৰহণ কৰিছে। আকৰ্ষণীয়কৈ সজাই পৰাই তোলা এই শংকৰ মাধৱ ক্ষেত্ৰলৈ দূৰ দুৱণিৰ ভাওনা প্ৰেমী ৰাইজৰ আগমন ঘটিছে। দ্বিতীয় বৈকুণ্ঠপুৰীলৈ পৰ্যবেসিত হৈছে চিনাতলী উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰ। ১৮ দিনিয়াকৈ অনুষ্ঠিত হোৱা প্ৰতিযোগিতাত স্থানীয় জনপ্ৰিয় ভাওনা দল অগ্নিগড় শিল্পী সমাজৰ যুৱশিল্পীসকলৰ দ্বাৰা মহাপুৰুষীয়া নাট 'গড়ুৰৰ অমৃত হৰণ বিনতাৰ দাসত্ব মোচন' মঞ্চস্থ কৰা হয়। ভাৱৰীয়াৰ শিল্পীসকলৰ বলিষ্ঠ অভিনয়েৰে উপস্থিত হাজাৰ হাজাৰ দৰ্শক ৰাইজক মন্ত্ৰমুগ্ধ কৰি তোলে। অৰণ্যম ট্ৰাষ্টৰ দ্বাৰা আয়োজিত এই ভাওনা প্ৰতিযোগিতাখনে ৰাজ্যখনৰ বিভিন্ন প্ৰান্তৰ ৰাইজৰ প্ৰশংসা বুটলিবলৈ সক্ষম হৈছে। বিশেষকৈ সুশৃংখলিত ব্যৱস্থাপনা, নিয়মানুৱৰ্তিতা, পৰিষ্কাৰ পৰিচ্ছন্নতা আদি বিষয়সমূহৰ বাবে এই ভাওনা প্ৰতিযোগিতাখনিয়ে অসমৰ ভিতৰত এক বিশেষ সমাদৰ লাভ কৰিছে।

# গোৱালপাৰা জিলা বড়ো সাহিত্য সভা আৰু বড়ো ছাত্ৰ সন্থাৰ বাৰ্ষিক অধিৱেশনৰ প্ৰস্তুতি

**ই-সংবাদ, ধূপধৰা, ২ জানুৱাৰীঃ** নিখিল বড়ো ছাত্ৰ সন্থা আৰু বড়ো সাহিত্য সভাৰ গোৱালপাৰা জিলা সমিতিৰ বাৰ্ষিক অধিৱেশনখন তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে দুধনৈৰ মাজ-জাখিলীত অনুষ্ঠিত হ'ব। অহা ১৯, ২০ আৰু ২১ জানুৱাৰীত অনুষ্ঠিত হ'বলগীয়া অধিৱেশনৰ বাবে আজি দুধনৈৰ মাজ-জাখিলী ৰাজহুৱা খেলপথাৰত লাইখুঁটা স্থাপন কৰা হয়। এক মাংগলিক অনুষ্ঠানৰ জৰিয়তে লাইখুঁটা স্থাপন কৰে ১৫ নং দুধনৈ (জনজাতি) সমষ্টিৰ বিধায়ক যাদৱ স্বৰ্গীয়াৰীয়ে। মাজ-জাখিলী আঞ্চলিক বড়ো ছাত্ৰ সন্থা আৰু বড়ো সাহিত্য সভাৰ মাজ-জাখিলী প্ৰাথমিক শাখাৰ উদ্যোগত অনুষ্ঠিত হ'বলগীয়া অধিৱেশনৰ বাবে অঞ্চলৰ বিভিন্ন বিশিষ্ট লোকক লৈ ইতিমধ্যে অভ্যৰ্থনা সমিতি গঠন কৰি অধিৱেশনৰ প্ৰস্তুতি পূৰ্ণগতিত চলোৱা পৰিলক্ষিত হৈছে। আজিৰ এই লাইখুঁটা স্থাপন অনুষ্ঠানত অভ্যৰ্থনা সমিতিৰ সভাপতি গৌৰীশংকৰ বসুমতাৰী, কাৰ্যকৰী সভাপতি বিজয় স্বৰ্গীয়াৰী সাধাৰণ সম্পাদক আকাশ খাখলাৰী, বিত্ত সম্পাদক ধীৰাজ হাজোৱাৰী, গোৱালপাৰা জিলা বড়ো ছাত্ৰ সন্থাৰ সভাপতি সন্তোষ হাজোৱাৰী, গোৱালপাৰা জিলা বড়ো সাহিত্য সভাৰ সভাপতি ৰমাকান্ত খাখলাৰীৰ লগতে বহু কেইজন বিশিষ্ট ব্যক্তি উপস্থিত থাকে। এই অনুষ্ঠানত বড়ো যুৱতীসকলে বড়ো জনগোষ্ঠীৰ বাগুৰুম্বা নৃত্যও প্ৰদৰ্শন কৰে। উল্লেখ্য যে, গোৱালপাৰা জিলা বড়ো সাহিত্য সভা আৰু বড়ো ছাত্ৰ সন্থাৰ নতুন সমিতি এই অধিৱেশনতে গঠন কৰা হ'ব।

# বিদ্যাৰডাবৰীত শিক্ষকৰ বিৰুদ্ধে চাউল চুৰিৰ অভিযোগ, তদন্তৰ দাবী ৰাইজৰ

**ই-সংবাদ, গোলকগঞ্জ, ২ জানুৱাৰীঃ** ধুবুৰী জিলাৰ আগমনি প্ৰাথমিক শিক্ষা খণ্ডৰ অন্তৰ্গত বিদ্যাৰডাবৰী চতুৰ্থ খণ্ড গাঁৱৰ ৮৭৩ নং বিদ্যাৰডাবৰী চাটাম প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষকে মধ্যাহ্ন ভোজনৰ চাউল চুৰি কৰাৰ অভিযোগ উত্থাপিত হৈছে। জানিব পৰা মতে, প্ৰধান শিক্ষক তৰণী কান্ত ৰায়ে যোৱা ৯ নৱেম্বৰত বটেৰহাট সমবায় সমিতিৰ পৰা মধ্যাহ্ন ভোজনৰ চাউল পাঁচ কুইন্টল পয়চল্লিশ কেজি উঠায়। মধ্যাহ্ন ভোজনৰ আবণ্টিত ধন নথকাৰ বাবে এক ডিচেম্বৰৰ পৰা প্ৰধান শিক্ষকে ছাত্ৰ-ছাত্ৰীক মধ্যাহ্ন ভোজন খুওৱা বন্ধ ৰাখে। উত্থাপিত অভিযোগ অনুযায়ী চাউলবোৰ ভঁৰালতে তলা দি ৰখা হয় আৰু ভঁৰাল গৃহৰ তলাৰ চাবি পাত থাকে প্ৰধান শিক্ষকৰ লগত। শনিবাৰে ছাত্ৰ-ছাত্ৰীৰ বনভোজৰ চাউলৰ বাবে প্ৰধান শিক্ষক তৰণী কান্ত ৰায়ৰ পৰা চাবি লৈ পৰিচালনা সমিতিৰ সভাপতিয়ে দুৱাৰ খুলি হতচকিত হৈ পৰে। কাৰণ ভঁৰালৰ পৰা পাঁচ বস্তা চাউল নোহোৱা হয়। আধা বস্তা চাউল মজিয়াত ছেদেলি-ভেদেলি হৈ পৰি থকা প্ৰত্যক্ষ কৰে। ঘটনাটোক লৈ পৰিচালনা সমিতি, অভিভাৱক, স্থানীয় ৰাইজৰ মাজত হুৱাদুৱা লাগে। কিন্তু ৰহস্যজনকভাৱে প্ৰধান শিক্ষকে নীৰৱ ভূমিকা গ্ৰহণ কৰি আহিছে। ইফালে, এই ঘটনা পোহৰলৈ অহাৰ পাঁচটা দিন উকলিবৰ হোৱা সত্ত্বেও প্ৰধান শিক্ষকে এতিয়ালৈকে আৰক্ষী চকীত এজাহাৰ দিয়া নাই। তদুপৰি বিভাগীয় উৰ্ধতন কোনো বিষয়াকো অৱগত কৰা নাই বুলি জানিবলৈ দিয়াৰ লগতে চোৰ বিচাৰি থকা বুলি সাংবাদিকৰ সন্মুখত তৰল মন্তব্য কৰে। কাৰ্যতঃ ৰাইজৰ প্ৰধান শিক্ষকৰ ওপৰত সন্দেহ ওপজে। ৰাইজৰ মুকলি অভিযোগ- প্ৰধান শিক্ষকৰ লগত তলাৰ চাবি থাকে, তলা ভঙাৰো কোনো চিন-চাপ নাই, গতিকে চাউল চুৰি কাৰ্যৰ লগত তেওঁ প্ৰত্যক্ষভাৱে জড়িত আছে। ইয়াৰ এক উচ্চ পৰ্যায়ৰ তদন্ত কৰি দোষীৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ ৰাইজে দাবী জনাইছে।

# পুৰণিগুদাম কলং কলা কেন্দ্ৰৰ ৰূপালী জয়ন্তী উদযাপনৰ শুভাৰম্ভ

**ই-সংবাদ, পুৰণিগুদাম, ২ জানুৱাৰীঃ** লোককলাৰ দিশত গুৰুত্বপূৰ্ণ পদক্ষেপেৰে বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰা নগাঁও জিলাৰ পুৰণিগুদাম কলং কলা কেন্দ্ৰৰ ৰূপালী জয়ন্তী উদযাপনৰ শুভাৰম্ভণি অনুষ্ঠানটো যোৱা ১ জানুৱাৰীত দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হৈ যায়। পুৱা ২৬ খন পতাকা উত্তোলনেৰে ৰূপায়িত হোৱা প্ৰথম কাৰ্যসূচী ডবা, নাগাৰা, খোল, তাল, উৰুলিৰ মাংগলিক ধ্বনিৰে চৌদিশ মুখৰিত হৈ উঠে। অনুষ্ঠানৰ ঘাই পতাকা সভাপতি গকুল ছেত্ৰীয়ে উত্তোলন কৰাৰ বিপৰীতে আন পতাকাসমূহ উত্তোলন কৰে প্ৰাক্তন মন্ত্ৰী গিৰীন্দ্ৰ কুমাৰ বৰুৱা, লাইআটী সত্ৰৰ সত্ৰাধিকাৰ যুগল চন্দ্ৰ দেৱ গোস্বামী, সাহিত্যিক ফণীন্দ্ৰ নাথ গায়ন, লেটুগ্ৰাম সত্ৰৰ সত্ৰাধিকাৰ কৃষ্ণ গোস্বামী, সমাজকৰ্মী পুলিন হাজৰিকা, বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যালয়ৰ অধ্যক্ষ নৃপেন চন্দ্ৰ দাস, পুৰণিগুদাম শাখা সাহিত্য সভাৰ সভাপতি ৰবীন্দ্ৰনাথ কলিতা, শিশু সাহিত্যিক দ্বিজেন্দ্ৰ মোহন শইকীয়া, ৰাধাকান্ত বৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ জয়ন্ত শইকীয়া, সমাজকৰ্মী জগমোহন শৰ্মা, নাট্য সন্মিলন পুৰণিগুদাম শাখাৰ সভাপতি ৰঞ্জন তামুলী, ভাস্কৰ্য শিল্পী অশ্বিনী শৰ্মা, অনিৰ্বাণ গোষ্ঠীৰ সম্পাদক জ্যোতিৰ্ময় গোস্বামী, বাপুজী ভৱন আৰু পুথিভঁৰালৰ সম্পাদক দ্বিপেন বৈৰাগী, সমাজ সেৱক থিৰেণ বৰা, পুৰণিগুদাম প্ৰেছ ক্লাবৰ সভাপতি তপন কটকী, ৰংগালয়ৰ সঞ্চালক মৃণাল কুমাৰ বৰা, সাৰদা সংগীত কাননৰ সঞ্চালক প্ৰশান্ত গোস্বামী, শংখধ্বনি শিল্পী সমাজৰ সভানেত্ৰী দীপিকা বৰা গায়ন, নাট্যমৰ সভাপতি অনিত্য ভূঞাকে প্ৰমুখ্য কৰি বিশিষ্ট ব্যক্তিসকলে অংশগ্ৰহণ কৰে। পুৱাৰ ভাগত অনুষ্ঠিত শ্ৰদ্ধাঞ্জলি তৰ্পণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে শিল্পী পেঞ্চনাৰ কাণু গোস্বামীয়ে। ইয়াৰ পিছতেই অনুষ্ঠিত স্মৃতিচিত্ৰ অংকণ কাৰ্যসূচীত ভাগ লয় চিত্ৰশিল্পী টিকেন্দ্ৰজিৎ শইকীয়া আৰু অমিতাভ দাসগুপ্তই। প্ৰশান্ত গোস্বামী আৰু সত্যকাম বৰাই ‘চিত্ৰলেখা চিত্ৰলেখা’ শীৰ্ষক ভূপেন হাজৰিকাৰ গীতটো গাবলৈ আৰম্ভ কৰাৰ লগে-লগে শিল্পী দুগৰাকীয়ে ছবি আঁকিবলৈ আৰম্ভ কৰে আৰু আন দুটিমান গীত চলি থকাৰ সময়তে ছবি দুখনৰ অংকন প্ৰক্ৰিয়া সমাপ্তিৰ দিশলৈ গতি কৰে। সাহিত্যিক পেঞ্চনাৰ ফণীন্দ্ৰ নাথ গায়নৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাত সম্পাদকীয় প্ৰতিবেদন পাঠ কৰি অনুষ্ঠানৰ সম্পাদক চিত্তৰঞ্জন বৰাই যোৱা বৰ্ষৰ লগতে পাৰ হোৱা ২৫ বৰ্ষৰ উল্লেখযোগ্য কাম-কাজসমূহৰ বিষয়ে সংক্ষেপে কয়। হেৰাই যাবলৈ ধৰা লোকশিল্পৰ সংগ্ৰহ, সংৰক্ষণ যিদৰে প্ৰয়োজন ঠিক একেদৰে উন্নতিৰ নামত চৰম দুৰ্গতিৰ পিনে গতি কৰা পৃথিৱীৰ চেনেহী পৰিৱেশ ৰক্ষা কৰাটো বৰ্তমান সময়ত খুবেই প্ৰয়োজনীয় বুলি মন্তব্য কৰি তেওঁ কয় যে কলাৰ দিশত লাগি থকাসকলে এই দিশত চকু দিয়া উচিত আৰু কলং কলা কেন্দ্ৰয়ো এই দিশত চিন্তা-চৰ্চা আৰম্ভ কৰিছে। সভাত আদৰণি ভাষণ দিয়ে অভ্যৰ্থনা সমিতিৰ সভাপতি কৃষ্ণ গোস্বামীয়ে। নিৰ্দিষ্ট বক্তা হিচাপে অংশগ্ৰহণ কৰি তেজপুৰ বিশ্ববিদ্যালয়ৰ সমাজতত্ত্ব বিভাগৰ প্ৰাধ্যাপক চন্দন কুমাৰ শৰ্মাই কয় যে প্ৰগতিৰ নামত আজি নিদাৰুণভাৱে প্ৰকৃতিক আঘাত কৰা হৈছে। চীনে ব্ৰহ্মপুত্ৰত বান্ধ দি ইয়াৰ জলস্তৰ নিম্নগামী কৰাৰ কথা উল্লেখ কৰি তেওঁ কয় যে উন্নয়ন-প্ৰগতিৰ স্বৰূপ এনে হোৱা অনুচিত। সমাজৰ প্ৰতিটো দিশত ৰাজনীতিৰ ব্যাপ্তিৰ কথা উল্লেখ কৰি তেওঁ কয় যে কলাও ইয়াৰ ভিতৰুৱা। কলা অবিহনে সমাজৰ সুখকৰ গতি আশা কৰিব নোৱাৰি বুলি উল্লেখ কৰি চন্দন কুমাৰ শৰ্মাই নিজৰ ভাষণত আৰু কয় যে সমাজৰ সুষম বিকাশত কলা জগতে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব লাগিব। ৰূপান্তৰে সংস্কৃতিক সুন্দৰ কৰিলেও অসুখকৰ ৰূপান্তৰ এটা জাতিৰ বাবে কেতিয়াও গ্ৰহণযোগ্য নহয় বুলি মন্তব্য কৰি তেওঁ লগতে কয় যে কিছু বিজ্ঞানীয়ে কলাক গুৰুত্ব দিব নোখোজে যিটো এক ক্ষতিকাৰক কথা। বিশিষ্ট অতিথিৰ ভাষণত অৱসৰপ্ৰাপ্ত অধ্যাপক তথা প্ৰাক্তন মন্ত্ৰী গিৰীন্দ্ৰ কুমাৰ বৰুৱাই কলাৰ বিস্তৃতি, মানুহৰ জীৱনত কলাৰ অৱস্থিতি তথা ইয়াৰ প্ৰয়োজনীয়তা সম্পৰ্কে ব্যাখ্যা কৰি কলং কলা কেন্দ্ৰৰ কাম-কাজৰ ভূয়সী প্ৰশংসা কৰে। সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থকা আনগৰাকী অতিথি নৰেন কলিতাই কলং কলা কেন্দ্ৰৰ কাম-কাজৰ বিভিন্ন দিশ পৰ্যালোচনা কৰে আৰু অসমৰ কলা-সংস্কৃতি জগতত অনুষ্ঠানটিয়ে পালন কৰা ভূমিকা সম্পৰ্কে বিৱৰি কয়। পুৰণিগুদামৰ ৰাইজে অনুষ্ঠানটিৰ ৰূপালী জয়ন্তী পালনৰ বাবে গ্ৰহণ কৰা পদক্ষেপৰ বাবে ধন্যবাদ জনাই কয় যে ৰাইজে আৱৰি-সুৱৰি ৰাখিলে অনুষ্ঠানটিয়ে বহু কাম কৰিব পাৰিব। অমৃতা কৌৰ গোস্বামীৰ বৰগীতেৰে আৰম্ভ হোৱা সভাখনিৰ মাজে-মাজে গীত পৰিৱেশন কৰে গোলাপ বৰা, দুৰ্বী কাশ্যপ শইকীয়া, সংকল্পিতা বৰকাকতী, স্নিগ্ধা পৰাশৰ, সংস্কৃতি বৰা আৰু দক্ষিণা কাশ্যপে। সমৱেত কণ্ঠত পৰিৱেশন কৰা কলং কলা কেন্দ্ৰৰ শীৰ্ষ গীত, বেজবৰুৱাৰ 'ক'ত আছে চাউল' আৰু কেশৱ মহন্তৰ 'এখন দেশত এক ৰজা আছিল' গীত তিনিটিয়ে সভালৈ এক সুকীয়া মাত্ৰা আনি দিয়ে। সভাত মৰণোত্তৰভাৱে পূৰ্ণচন্দ্ৰ গায়নক ‘নগঞা কেশৰী’ উপাধি প্ৰদান কৰা হয়, যিটো উপাধি তেওঁক জীৱন কালতে প্ৰদান কৰা হ'ব বুলি অনুষ্ঠানটিয়ে ঘোষণা কৰিছিল। পূৰ্ণচন্দ্ৰ গায়নৰ হৈ সেই উপাধি বোৱাৰী দীপিকা বৰা গায়ন আৰু জীয়ৰী পাৰুল গায়নে গ্ৰহণ কৰে।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

# দলংঘাটত নৈশ দ্বৈত বেডমিণ্টনত চেম্পিয়ন হ'ল নিৰুপম-চন্দনমণি

**ই-সংবাদ ক্ৰীড়া সেৱা, নগাঁও, ২ জানুৱাৰীঃ** নগাঁও আৰু মৰিগাঁও জিলাৰ সীমামূৰীয়া দলংঘাট বৰমণিপুৰস্থিত ষষ্ঠদশ অসম আৰক্ষী বাহিনীৰ চাউনীৰ যানবাহন শাখাৰ বিষয়া-জোৱানসকলৰ সৌজন্যত আৰক্ষী বাহিনীটোৰ বেডমিণ্টন ক'র্টত বুধবাৰে নৈশালোকত অনুষ্ঠিত দ্বৈত বেডমিণ্টন প্ৰতিযোগিতাত নিৰুপম কোঁৱৰ আৰু চন্দনমণি লস্কৰৰ যুটীয়ে চূড়ান্ত বিজয়ী খিতাপ অৰ্জন কৰিছে। মুঠ-১২ টা দলৰ যোগদানৰে আয়োজিত এই প্ৰতিযোগিতাৰ যোৱা নিশাৰ ফাইনেলত নিৰুপম-চন্দনমণিৰ যুটীয়ে জাকিৰ হুছেইন আৰু ৰিটুল সেনাপতিৰ যুটীক ২-০ গেমত পৰাজিত কৰে। আনহাতে, নেকিবুৰ ৰহমান ছিদ্দিকী আৰু হীৰুমণি হাজৰিকাৰ যুটীয়ে তৃতীয়স্থান লাভ কৰাৰ বিপৰীতে দীপক কুমাৰ সিনহাই শ্ৰেষ্ঠ খেলুৱৈৰ বঁটা পায়। ষষ্ঠদশ অসম আৰক্ষী বাহিনীৰ কমাণ্ডেণ্ট জাকিৰ হুছেইনে আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰা নৈশালোকৰ প্ৰতিযোগিতাৰ অন্তত এন আৰ ছিদ্দিকী আৰু হীৰুমণি হাজৰিকাই আঁত ধৰা সামৰণি অনুষ্ঠানত কমাণ্ডেণ্ট জাকিৰ হুছেইনৰ লগতে পৰিদৰ্শক কল্যাণ গগৈ, প্ৰাঞ্জল দেউৰী, এ বি এছ আই দীপেন কলিতা আৰু বি এইছ এম চিৰাজুল ইছলামে বিভিন্ন পুৰস্কাৰসমূহ বিতৰণ কৰে। সেই অনুষ্ঠানত সুভাষ শইকীয়া, মাইনউদ্দিন, বসন্ত ডেকা, পংকজ ডেকা, মুস্তাক আহমেদ, অজবিন্দ্ৰ সিং, দীপজ্যোতি ডেকা আৰু সঞ্জীৱ বৰা আদি উপস্থিত থাকে।

## প্ৰাক্তন খেলুৱৈ শ্যামল বৰাৰ মৃত্যুত বড়মপুৰত শোক

**ই-সংবাদ, পুৰণিগুদাম, ২ জানুৱাৰীঃ** নগাঁও চহৰৰ ফৌজদাৰীপট্টিৰ নিবাসী প্ৰাক্তন ৰঞ্জী ট্ৰফী খেলুৱৈ শ্যামল বৰাৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে বড়মপুৰ ক্ৰীড়া সন্থাই।বড়মপুৰ ক্ৰীড়া সন্থাৰ সভাপতি বিধায়ক জিতু গোস্বামী আৰু সাধাৰণ সম্পাদক প্লাৱন বৰুৱাই প্ৰাক্তন খেলুৱৈ জনৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে ইফালে, বড়মপুৰ ক্ৰীড়া সন্থাৰ অধীনত বড়মপুৰ শ্বহীদ থগী সূত ক্ৰীড়া প্ৰকল্পত চলি থকা ক্ৰিকেটৰ অনুশীলন বন্ধ কৰি প্ৰশিক্ষাৰ্থীসকলে খেলুৱৈজনৰ মৃত্যুত এক মিনিট মৌন প্ৰাৰ্থনা জনাই।মৌন প্ৰাৰ্থনাৰ পিছতে অনুষ্ঠিত হোৱা শোক সভাত প্ৰশিক্ষক দীপাংকৰ দাসে তেওঁ খেলৰ দক্ষতাৰ বিষয়ে প্ৰশিক্ষাৰ্থীসকলক অৱগত কৰে।

## তালিকাত ডি গোকেশ, হৰমনপ্ৰীত সিং, প্ৰবীণ কুমাৰৰ নাম

# অৱশেষত মনু ভাকেৰক খেলৰত্ন বঁটা প্ৰদান চৰকাৰৰ

**নতুন দিল্লী, ২ জানুৱাৰীঃ** বহু বিতৰ্কৰ অন্তত শেষত ক্ৰীড়া জগতৰ সৰ্বশ্ৰেষ্ঠ সন্মান মেজৰ ধ্যান চান্দ খেলৰত্ন বঁটাৰ বাবে ঘোষণা কৰা হ'ল ভাৰতীয় তাৰকা শ্যুটাৰ মনু ভাকেৰৰ নাম। বৃহস্পতিবাৰে ভাৰতৰ ক্ৰীড়া মন্ত্ৰালয়ে ঘোষণা কৰিছে ২০২৪ বৰ্ষৰ খেলৰত্ন আৰু অৰ্জুন বঁটা লাভ কৰা সকলৰ তালিকা। উল্লেখ্য যে, এইবাৰ ১৭ গৰাকী পেৰা এথলীটকে ধৰি ৩২ গৰাকী খেলুৱৈক অৰ্জুন বঁটা প্ৰদান কৰা হৈছে। সমান্তৰালভাৱে খেলৰত্ন বঁটাৰ বাবে বাছনি কৰা হৈছে অলিম্পিকত দুটাকৈ পদক অৰ্জন কৰি ইতিহাস ৰচনা কৰা শ্যুটাৰ মনু ভাকেৰ, বিশ্ব দবা চেম্পিয়ন ডি গোকেশ, পুৰুষ হকী দলৰ অধিনায়ক হৰমনপ্ৰীত সিং আৰু পেৰা-অলিম্পিকৰ স্বৰ্ণ বিজয়ী পেৰা হাই জাম্পাৰ প্ৰবীণ কুমাৰক। লক্ষণীয় যে, অলিম্পিকত ব্যক্তিগত আৰু মিক্সড ইভেণ্টত ব্ৰঞ্জৰ পদক লাভ কৰি দেশক গৌৰৱান্বিত কৰিছিল মনু ভাকেৰে। ডি গোকেশ মাত্ৰ ১৮ বছৰ বয়সতে বিশ্বনাথন আনন্দৰ পিছত দ্বিতীয় ভাৰতীয় বিশ্ব দবা চেম্পিয়ন হয়। অন্যহাতে হৰমনপ্ৰীত সিঙৰ নেতৃত্বত ভাৰতীয় হকী দলটোৱে একেৰাহে দুখন অলিম্পিকত ব্ৰঞ্জৰ পদক লাভ কৰাৰ বিপৰীতে প্ৰবীণ কুমাৰে পেৰিছ পেৰা-অলিম্পিকত হাই জাম্পত সোণৰ পদক লাভ কৰিবলৈ সক্ষম হৈছিল। প্ৰথম অৱস্থাত খেলৰত্ন তালিকাত মনু ভাকেৰৰ নাম নথকাৰ বাবে বিতৰ্কৰ সৃষ্টি হৈছিল যদিও পিছলৈ ক্ৰীড়া মন্ত্ৰালয়ে মনু ভাকেৰৰ নাম তালিকাত সংযোজন কৰে। মনুয়ে কয় যে তেওঁৰ আবেদনত ভুল হোৱাৰ বাবে প্ৰথমতে তেওঁৰ নাম বাদ দিয়া হৈছিল। অহা ১৭ জানুৱাৰীত ৰাষ্ট্ৰপতি ভৱনত অনুষ্ঠিত এক অনুষ্ঠানত বঁটাপ্ৰাপকসকলক এই সন্মান প্ৰদান কৰিব ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে।



পঞ্চম টেষ্টৰ পূৰ্বে ছিডনী ক্ৰিকেট গ্ৰাউণ্ডত এনেদৰে ভাবুক অৱস্থাত দেখা গ'ল ৰোহিতক, বৃহস্পতিবাৰে

# ৰোহিত অবিহনেই ছিডনী টেষ্টত অৱতীৰ্ণ হ'ব টীম ইণ্ডিয়া

**ছিডনী, ২ জানুৱাৰীঃ** অৱশেষত ছিডনী টেষ্টত ৰোহিত শৰ্মা অবিহনেই খেলপথাৰত নামিবলৈ সাজু হৈছে ভাৰতীয় ক্ৰিকেট দল। ইংৰাজী দৈনিক ইণ্ডিয়ান এক্সপ্ৰেছৰ খবৰ অনুসৰি ৰোহিতক এই টেষ্টৰ পৰা বিশ্ৰাম দিয়া হৈছে। অৱশ্যে আন এখন দৈনিক কাকতে তেওঁক দলৰ পৰা বাদ দিয়া বুলিও দাবী কৰে। এই টেষ্টত ভাৰতীয় দলটোৰ নেতৃত্ব দিব যশপ্ৰীত বুমৰাহে। উল্লেখ্য যে, বৃহস্পতিবাৰৰ পুৱাৰে পৰা আৰম্ভ হৈছিল ৰোহিতক লৈ জল্পনা-কল্পনা। সাধাৰণতে টেষ্টৰ আগদিনা অধিনায়কে প্ৰেছৰ সন্মুখীন হয়। কিন্তু আজিৰ দিনটোত সংবাদমেলত দেখা যায় প্ৰশিক্ষক গৌতম গম্ভীৰকহে। ভাৰতৰ পৰা মাত্ৰ এজন ব্যক্তিহে উপস্থিত আছিল যদিও সন্মুখত ৰখা হৈছিল দুখন চকী। সংবাদমেলত গম্ভীৰৰ বক্তব্যই পৰিস্থিতি আৰু অধিক জটিল কৰি তোলে। ৰোহিতৰ অনুপস্থিতিৰ কাৰণ সন্দৰ্ভত সোধাত গম্ভীৰে কয়, "ৰোহিত ঠিকেই আছে। সংবাদমেলত অধিনায়কৰ বাবে কোনো বাধ্যতামূলক পৰম্পৰা নহয়। প্ৰশিক্ষক আহিছে, সেয়াই যথেষ্ট। উইকেটৰ প্ৰতি লক্ষ্য ৰাখি চূড়ান্ত একাদশৰ সিদ্ধান্ত লোৱা হ'ব।" অৱশ্যে ৰোহিতে খেলিব নে নাই সেই সন্দৰ্ভত প্ৰত্যক্ষ উত্তৰ দিয়াৰ পৰা বিৰত থকা দেখা যায় প্ৰশিক্ষক গৌতম গম্ভীৰক। প্ৰণিধানযোগ্য যে, দ্বিতীয় সন্তান জন্মৰ বাবে পাৰ্থ টেষ্টত অংশগ্ৰহণৰ পৰা বিৰত আছিল ৰোহিত শৰ্মা আৰু সেই সময়ত দলৰ অধিনায়ক আছিল যশপ্ৰীত বুমৰাহ। অৱশ্যে পৰৱৰ্তী সময়ত খেলা তিনিখন টেষ্টত ৰোহিতৰ প্ৰদৰ্শন হতাশাজনক আছিল। তিনিখন মেচত ৰোহিত শৰ্মাই সংগ্ৰহ কৰিছিল মাত্ৰ ৩১ ৰান। তেতিয়াৰ পৰাই টেষ্ট ক্ৰিকেটৰ পৰা অৱসৰ লোৱাৰ উৰাবাতৰি আৰম্ভ হৈছে। বৃহস্পতিবাৰে গম্ভীৰৰ বক্তব্য আৰু সন্ধিয়া ৰোহিতৰ জিৰণি লোৱাৰ খবৰে এই জল্পনা-কল্পনাক আৰু অধিক ইন্ধন যোগাইছে।

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়ৱদ্ধ)। মুখ্য সম্পাদকঃ ডঃ দীনেশ বৈশ্য ।। কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনন্তৰি